চান্দমামা

মে' ১৯৮৯

আশ্চৰ্য্য!
ৰসনা-শিশু হঁতৰ বাবে!
আশ্চৰ্য্য!
ৰসনা-মাতৃসকলৰ বাবে!
Copyright © 1981 Marvel Comics Group.
বিনামূল্যে! প্ৰতিটো পেকৰ ভিতৰতে উপহাৰ!
(সাঁথৰ, কাগজৰ খেল-ধেমালি, ষ্টিকাৰ, লেবেল, আৰু ৰবৰ, ফোঁট, চুলিত মৰা ক্লিপ আদি বহুতো নতুন নতুন বস্তু)
TM
নতুন ৰসনা স্পাইডাৰমেন পেক!
What's the date?
Rasna
1989
Refreshing Rasna
Lovable flavours. Lovable price.
Rasna
soft drink concentrate
অৰেঞ্জ ☐ পাইনাপেল ☐ লাইম ☐ শাহী গুলাব ☐ কালা খাট্টা ☐ কুল খস ☐ কেশৰ এলাইচি ☐ মশালা সোডা (জলজীৰা) ☐ টুটি ফ্ৰুটি ☐ ম্যাঙ্গো ৰাইপ ☐ গ্ৰেপ গ্লোৰী
সজীৱতাপূৰ্ণ ৰসনা
11 টি আকৰ্ষণীয় সোৱাদ, আকৰ্ষণীয় দামত.
Mudra:A:EAMR:4570 Ass

Now from Lion Pencils, here's another Novelty...
the Pearl finished **LION PINKY** pencil, a pretty pencil to behold.
Superb in looks, super smooth in writing with its HB Lead
strongly bonded to give you unbreakable points.

Also available with rubber tip and hexagonal

Other popular brands of Lion Pencils are:

Lion **MOTO**, Lion **TURBO**, Lion **SWEETY**, Lion **CONCORD**,
Lion Hi-Tech **METALLIC**, Lion **MASH-HOOR**, Lion **EXECUTIVE**,
Lion **NOVELTY**, Lion **GEEMATIC** Drawing Pencils
and **RATTAN** Colour Pencils & Wax Crayons.

LION PENCILS PVT. LTD. 95 Parijat, Marine Drive, Bombay 400 002.

National-407

চান্দমামা

মে' ১৯৮৯

Gautam Goswami 15.5.89

এই সংখ্যাত আছে

সম্বাদ-বি-সম্বাদ	:	৯
পাই পাই	:	১০
বোৱাৰী-বাছনি	:	১১
বিশাল বুধি	:	১৭
পঞ্চপ্ৰশ্ন	:	১৯
সময়ৰ শৰ	:	২৭
মাহীমাক	:	৩৪
নেহৰু-উপাখ্যান-৩	:	৩৫
গা চাই গামোছা	:	৩৯
কৃষ্ণাৱতাৰ	:	৪৩
কাকনো বুলিম ককা ?	:	৫১
ঠগৰ গুৰু	:	৫৩
পাহৰা ধানৰ ভাত	:	৫৯
প্ৰকৃতিৰ বিস্ময়	:	৬৩

চান্দমামা

খনে: ৩.০০ টকা মাথোন

বছৰেকীয়া বৰঙণি

৩৬.০০ টকা মাথোন

ALL THAT STANDS BETWEEN DARKNESS AND HIM IS

YOUR SIGNATURE.

India. The land of diverse cultures. Rich, varied traditions. But, there are 11 million people who can't see the beauty and wonder of this land. They suffer from cataract. They live in a world that grows darker day by day. And 2 million are added to this number every year.

We, at LKS, take care of over 60,000 people's eyes every year. People of all communities, people from different walks of life. During 1987 alone we have operated on 2,400 cataract patients and have been able to make 70 villages cataract - free. But still a lot needs to be done. And you can help.

As little as Rs. 100 from you can enable us to perform a cataract operation and clear the darkness from someone's life.

Help us, to help them.

Lok Kalyan Samiti

A voluntary, non-political, non-profit, health and family welfare organisation.

Set your sights on the nearly blind. Give.

To

Mr. K.S. Gupta,
The General Secretary,
Lok Kalyan Samiti,
Sucheta Bhavan,
11-A, Vishnu Digambar Marg,
New Delhi-110 002.
India.

For Rs. 100 per cataract operation, I would like to sponsor:

*1 operation (Rs. 100)	Payable	*yearly	*bi-monthly
*2 operations (Rs. 200)		*half yearly	*monthly
*5 operations (Rs. 500)		*quarterly	
*10 operations (Rs. 1000)			

I am enclosing herein a crossed cheque/demand draft in favour of "Lok Kalyan Samiti"

for Rs. ______________________

Please send me details with photograph/s of the person/s I am sponsoring.

Name: ______________ Age: ______________

Address: ______________________

____

Profession: ______________ Tele: ______________

Date of birth: Day ________ Month ________ Year ________ Marital Status ________

If married, date of marriage: Day ________ Month ________ Year ________

Income tax exemption under section 80G of the Income Tax Act.

LINTAS. LKS. 23

Everyday while a new India emerges, the existence and memory of the old one slowly fades.

The once-familiar sounds and sights, the beauty of Indian traditions and values, the ethnic and historical identity of its people, the once prolific art and handicrafts of rural India; a heritage is vanishing. Discover a part of that real India through the pages of The Heritage.

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

THE HERITAGE

CMP-2155

Annual Subscription : Rs. 96.00

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras - 600 026.

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্ৰপাণি * বি নাগিৰেড্ডি

"চান্দমামা-ক্ৰোড়পত্ৰ'ৰ সৌষ্ঠৱ বৃদ্ধিৰ বাবে আমি আমাৰ সহৃদয় পাঠক-পাঠিকাসকলৰপৰা মতামত আহ্বান কৰিছোঁ। তেওঁলোকৰ মূলৱান দিহা-পৰামৰ্শ যথোপযুক্ত-ভাৱে বিবেচনা কৰি চোৱা হ'ব। চান্দমামাৰ সামগ্ৰিক সৌষ্ঠৱ বৃদ্ধিৰ বাবেও সৰ্বপ্ৰকাৰৰ পৰামৰ্শ গ্ৰহণযোগ্য হ'ব। আমাৰ আশা, আমি সহযোগিতা পাম।

অমৰ-বাণী

মূৰ্খস্য পঞ্চ চিহ্নানি গৰ্ব্বী দুৰ্ব্বচনী তথা।
হঠী চাপ্ৰিয়বাদী চ পৰোক্তং নৈৱমন্যতে ॥

[ডাঙ্কোপ, আঁকোৰগোঁজালি, দুৰ্বচন, আনলৈ হেয়জ্ঞান আৰু অৱহেলা—এই পাঁচোটিয়েই হ'ল প্ৰকৃত মূৰ্খৰ লক্ষণ।]

বছৰ : ১৪ মে' ১৯৮১ **সংখ্যা : ২**

খনে : ৩·০০ টকা : : বছৰেকীয়া বৰঙণি : ৩৬·০০ টকা

PolioPlus

IMMUNIZATION
AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many



Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.



Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

TRAVEL INDIA
চাইনীজ পাজ্‌ল্
ট্রেভেল ইণ্ডিয়া গেম
Fun is
ফান ইৰ্জ'পোষ্টাৰ
চেট
MAGGI
1989
ৰং-তামাছা
আৰু উল্লাস
মেগী ক্লাবে সকলো মেগী প্ৰেমীৰ বাবে
আগবঢ়াইছে এই বছৰৰ নতুন উপহাৰবোৰ!
তোমাৰ উপহাৰবোৰ বিনামূল্যে লোৱাঁ!
তোমাৰ পচন্দৰ বিনামূলীয়া উপহাৰটো পাবৰ বাবে মেগী নুডলসৰ 5 টা খালি পেকেটৰ সমুখৰ ফালে থকা এই মেগী চিহ্নটো কাটি উলিয়াই আমালৈ পঠাই দিয়া। তুমি, 6 ৰ পৰা 8 সপ্তাহৰ ভিতৰতে মেগী ক্লাবৰ পৰা পঠোৱা ৰং-তামাছাৰে ভৰা উল্লাসদায়ক উপহাৰটো পাবা।
মনত ৰাখিবা ঃ
তুমি যদি মেগী ক্লাবৰ সদস্য তেন্তে আমালৈ চিঠি লিখোঁতে প্ৰতি বাৰেই তোমাৰ নাম -ঠিকনা আৰু সদস্যতা নম্বৰটো উল্লেখ কৰিবলৈ আৰু তোমাক কোনটো উপহাৰ লাগে জনাবলৈ নাপাহৰিবা।
তুমি যদি এতিয়াও মেগী ক্লাবৰ সদস্য হোৱা নাই তেন্তে আমালৈ লিখোঁতে তোমাৰ নাম - ঠিকনাটো জৰুৰ পঠাবা আৰু কোনটো উপহাৰ লাগে তাকো জনাবা।
I'M A MAGGI CLUBBER
HTA 6320 ASS
আমাৰ ঠিকনা: দি মেগী ক্লাব, পোষ্ট বক্স নং 5788, নতুন দিল্লী-110055

পাই পাই

জমিদাৰ ডাঙৰীয়া হ'ব কলিৰ দাতাকৰ্ণ। তেওঁ যেতিয়াই-তেতিয়াই যাকে-তাকে যেই-সেই বস্তু উপহাৰ দিছিল।

এবাৰ তেওঁৰ চোলাৰ জেপত একুৰি মুদ্ৰা আছিল। তেওঁ মুদ্ৰাখিনিৰে সৈতে চোলাটো ধুবলৈ দিলে। ধোবাই মুদ্ৰা কুৰিটা জমিদাৰক ওভোতাই দি ক'লে, "আপোনাৰ চোলাৰ জেপত পালোঁ। এয়া লওক।"

জমিদাৰ ডাঙৰীয়াই ক'লে, "তোমাৰ নিচিনা সত্যবাদীক মই উপহাৰ-পুৰস্কাৰ নিদিয়াকৈ নোৱাৰোঁ।" এই বুলি কৈ, দহটা মুদ্ৰা তেওঁ ধোবাটোক দিলে।

আন এবাৰো চোলাৰ জেপত দহটা মুদ্ৰা পাই ধোবাই জমিদাৰক পাঁচটা মুদ্ৰা দিলে।

তেতিয়া জমিদাৰে ধোবাটোক ক'লে, "মোৰ পৰিষ্কাৰ মনত আছে—চোলাৰ জেপত দহটা মুদ্ৰা আছিল। তুমি পাঁচুটিয়েই পালানে বাৰু?"

"নহয় দেউতা, দহুটায়েই পাইছিলোঁ। কিন্তু—আপুনি মোক দহৰ আধা পাঁচটা মুদ্ৰা দিব জানিয়েই নিজৰখিনি ৰাখি থৈ আপোনাক পাঁচুটি ঘূৰাই দিলোঁ।" ধোবাটোৱে নিৰ্বিকাৰভাৱে ক'লে।

ধোবাৰ ধোৱা-মূল কথা শুনি জমিদাৰৰ যেনিবা জলক-তবক লাগিল। তেতিয়াহে তেওঁৰ জ্ঞানোদয় ঘটিল। তেওঁ ভাবিলে যে যেতিয়াই-তেতিয়াই যাকে-তাকে য'তে-ত'তে উপহাৰ-পুৰস্কাৰ দিয়াটো মূৰ্খতাৰহে নামান্তৰ। কিয়নো পাই পাই পোৱাই চৰিত্ৰ হেকুৱায়।

বোৱাৰী-বাছনি

যদিও 'বয়সৰ বুন্দুৰী' বুলি কোৱা নাযায়, তথাপি কৰুণাক আঠ বছৰীয়াতে জ্ঞান-বুদ্ধিৰ ফালৰপৰা কমেও ওঠৰ যেন লাগিছিল। তাইৰ নিজৰ মাক নাই, মাহী-আয়েকে তাইক আনকি ভালকৈ খাব-পিন্ধিবও নিদিয়ে। কিন্তু সেইবোৰ কথাত কৰুণাই আৰু বেয়া নাপায়, তাই কাঠৰ পোকে কাঠ খাই ডাঙৰ হোৱা ছোৱালী।

এবাৰ কাৰোবাৰ বিয়া উপলক্ষ্যে ঘৰত কেৱল কৰুণাজনীক থৈ, মাহী-আয়েক আৰু লগতে কৰুণাৰ দেউতাকো বিয়া খাবলৈ গ'ল। ৰাতিৰ পৰতে শুদা ভাতকে এমুঠি ৰান্ধি, আচাৰেৰে খাই, ভয় ভয় কৰি শুবলৈ লওঁতে চুবুৰীয়া ৰাজ-লখিমীয়ে তাইক তেওঁলোকৰ ঘৰত শুই থাকিবলৈ ক'লেহি, তাই মান্তি নহ'ল।

ৰাজলখিমীয়ে মাত দিয়াত কৰুণাই ঘৰৰ দুৱাৰখন খুলি ওলায়েই সিহঁতৰ ঘৰৰ বাৰান্দাত এটা মানুহক উবুৰি খাই পৰি থকা দেখা পালে। মানুহজন জীয়ানে মৰা বুজা টান। কৰুণাই মানুহজৰ গাত হাত দি চালে। মানুহজনৰ প্ৰচণ্ড জ্বৰ উঠিছে যেন লাগিল।

কৰুণাই মানুহজন ঠেলি অলপ সাৰ পোৱালে আৰু ক'লে, "আপুনি উঠক, ঘৰৰ ভিতৰলৈ ব'লক। ঘৰতে শুব ব'লক।"

মানুহজনক ঘৰৰ ভিতৰলৈ লৈ যোৱাৰ পাছত, মানুহজনৰ ওচৰত থকা টোপোলাটোৰপৰা চাফা কাপোৰ-কানি উলিয়াই আনি লেতেৰা হৈ পৰা কাপোৰ-কানিখিনি সলাই, বিছনাত শোৱাই, কৰুণাই ক'লে, "আপুনি শুই থাকক,

হৰ্ষবৰ্ধন শৰ্মা

মই আপোনাৰ কাৰণে জীৱনবৈদ্যৰ-পৰা দৰব লৈ আহোঁগৈ।" এই বুলি কৈ, কৰুণা ঘৰৰপৰা ওলাই গ'ল আৰু অলপ পাছত দৰব লৈ ঘূৰি আহি ক'লে, "এয়া লওক দৰব, আৰু এই গাখীৰ-টোপাও এতিয়াই খাওক, মই ভালকৈ তপতাই দিছোঁ।"

কুহুম কুহুম তপত গাখীৰ খাই, বুকুত অলপ বল পোৱা যেন পাই, মানুহ-জনে কৰুণাক সুধিলে, "তোমাৰ নামটোনো কি আই?"

"মই কৰুণা।" এই বুলি কৈ, তাই তাইৰ নিজৰ কথা খানিকমান ক'লে বেমাৰী মানুহজনক। তাৰ পাছত সেই মানুহজন টোপনি গ'ল। কৰুণাও টোপনি গ'ল।

ৰাতি পুৱাল। সাৰ পাই কৰুণাই লক্ষ্য কৰিলে যে — মানুহজনে তেওঁৰ টোপোলাটো বান্ধি-কুন্ধি লৈ গুচি যাবলৈ যো-জা কৰিছে।

মানুহজনে কৰুণাক ক'লে, "কালি ৰাতি তোমাৰ নামটোও জানিলোঁ, কিঞ্চিত পৰিচয়ো পালোঁ তোমাৰ। কিন্তু—কথা আচৰিতেই—তুমি যে মোৰ সম্পৰ্কে একো নুসুধিলা। যি কি নহওক, মই কওঁ মোৰ কথা। মোৰ নাম গুৰুনাথ। চহৰত মোৰ বিভিন্ন বস্তু-সামগ্ৰীৰ দোকান আছে। এই ফালে মোৰ অসুস্থ বন্ধু এজনক



ঢাবলৈ আহি নিজেই অসুস্থ হৈ পৰিলোঁ। হঠাৎ মই অচেতন হৈ পৰিছিলোঁ। তুমিয়েই মোৰ জীৱনদায়িনী। তোমাৰ উপকাৰৰ কথা মই জীৱনতো পাহৰিব নোৱাৰিম। মোৰ যিমানকণ ক্ষমতা আছে — তাৰে ময়ো তোমাৰ প্ৰত্যুপকাৰ কৰি যাম। এয়া হ'ল উপকাৰীৰ প্ৰতি সামান্য কৰ্তব্য মাথোন। তুমি যদি কেতিয়াবা আলৈ-আহুকালত পৰা, কোনো প্ৰকাৰৰ দ্বিধা নকৰাকৈ এই ঠিকনালৈ যোগাযোগ কৰিবা।" এই বুলি কৈ- নিজৰ নাম-ঠিকনা লিখি দি, গুৰুনাথ গুচি গ'ল।

*

এই ঘটনাৰ দহ বছৰৰ পাছৰ কথা। তেতিয়া করুণা বিবাহযোগ্যা। তাইদেখাই মেলায়ো চকু বৈ যোৱা বিধৰ হৈ উঠিছিল। এই দহ বছৰৰ ভিতৰত কিমান যে ঘটনা ঘটিল তাইৰ জীৱনত! কিন্তু আটাইতকৈ ডাঙৰ ঘটনা আছিল তাইৰ মাহী-আয়েকৰ মৃত্যু। মাহী-আয়েক ঢুকোৱাত হঠাৎ করুণাজনী অঢেল সা-সম্পত্তিৰ অধিকাৰিণী হৈ উঠিল।

কিছুদিনৰ পাছৰ কথা। এদিন এজন বুঢ়া মানুহক করুণাই সিহঁতৰ ঘৰৰ বাৰান্দাত বহি থকা দেখা পাই ক'লে, "ককা, বাৰান্দাত বহি আছে কিয়? ঘৰণ ভিতৰত বহকহি।"

"ধন্যবাদ, আইজনী মোৰ। মই অলপ



বাগৰি পৰিছিলোঁ। ঠিক হৈ যাব। আৰু— বেলিও লাহয়াবৰ হ'লেই। যাওঁৱেই মই।" এই বুলি কৈয়েই বুঢ়া মানুহজন বহাৰপৰা উঠি থিয় হ'ল।

"ইমান ৰ'দত ক'লৈনো যায় এতিয়াই? অলপ পাছত গ'লেও হ'ব, আহক বহকহি।" কৰুণাই বুঢ়া মানুহজনৰ হাতত ধৰি ক'লে।

বুঢ়া মানুহজনে কৰুণাক ক'লে, "মোৰ এই মোনাটোত কি আছে জানানে? এই মোনাটোত টকা আছে। এমোনা। মোৰ পুত্ৰ গুৰুনাথ হ'ল নগৰৰ ডাঙৰ কাৰবাৰী। সিয়েই মোক টকা আদায় কৰিবলৈ পঠাইছিল। আজি ৰাতিৰ ভিতৰতে টকাখিনি তাক লাগেই। পাওনা টকা কাৰবাৰীহঁতৰপৰা আদায় নকৰালৈকে তাৰ মূৰ উতলি থাকে।"

কৰুণাই এখিলা কাগজ উলিয়াই আনি এই বুঢ়া মানুহজনক দেখুৱালে আৰু সুধিলে, "এইজন গুৰুনাথেই আপোনাৰ পুত্ৰনে ককা?"

বুঢ়াই কাগজখিলাত লিখা হৈ থকা নাম-ঠিকনাটো পঢ়ি ক'লে, "ওঁ—হয়—হয় আই। পিছে—তু মিনো তাৰ ঠিকনা পালা কেনেকৈ?"

তেতিয়া কৰুণাই দহ বছৰৰ আগৰ সেই ঘটনাৰ কথা বৃদ্ধক ক'লে।

"অ—!" বুলি কৈ বুঢ়াই ৰৈ দিলে। তাৰ মুহূৰ্তমানৰ পাছত বুঢ়া মানুহজনে গুচি যাবলৈখোজ ল'লে। কৰুণাই বুঢ়াক বাধা দি ক'লে, "ককা, তোমাৰ পুত্ৰই তোমাক অৱহেলা কৰা বাবে যে তুমি দুখ পাইছা, সেই কথা মই বুজি নোপোৱানহয়। কিন্তু—কিন্তু তোমাৰ পুত্ৰৰ কামখিনি লাগিলে তোমাৰ পুত্ৰৰ হৈ মই কৰিম। মোৰ এই কথা শুনা। তুমি এতিয়া অলপ খাই-বৈ জিৰণি লোৱা। গধূলিৰ পৰতে যাবা. তেতিয়া ময়ো তোমাৰ লগত যাম। তোমাক যাতে এই বুঢ়া বয়সত

শাস্তি দিয়ে তাৰ বাবে মই তোমাৰ পুত্ৰক ক'ম। যদি গুৰুনাথ মান্তি নহয়, মই তোমাক লৈ আহিম। তুমি তেতিয়াৰ-পৰা আমাৰ লগত থাকিবা।"

"তুমি—তুমি কিজানি আগৰ জনমত মোৰ নাতিনীয়েৰজনীয়েই হৈ আছিলা, নহ'লেনো মোৰ প্ৰতি ইমান মৰম কেনেকৈ হ'ব? ঠিক আছে, তুমি যি ক'বা, মই তাকে কৰিম।" বুঢ়া মানুহজনে ক'লে।

কৰুণাৰ দেউতাক ৰতনলাল বিশেষ কামলৈ ওলাইছিল চুবুৰীয়া গাঁৱলৈ। গধূলিৰ আগে আগে উভতি অহাৰ পাছত কৰুণাই তাইৰ দেউতাকক সকলো কথা বুজাই ক'লে।

ৰতনলালে বুঢ়া মানুহজনক ক'লে, "আপুনি আমাৰ কৰুণাই কোৱা মতে কাম কৰক, আপোনাৰ ভালেই হ'ব।"

তাৰ পাছত কৰুণা আৰু তাইৰ দেউতাক ৰতনলালো বুঢ়াৰ ঘৰলৈ গ'ল। গুৰুনাথে গছত গৰু উঠা দেখা পালে এই দৃশ্য দেখি। বুঢ়াই গুৰুনাথক ক'লে, "মই মোৰ পৰম আত্মীয়াক লৈ আহিলোঁ, গুৰুনাথ!"

গুৰুনাথে কৰুণালৈ চাই চকুত হাঁহি উজলাই মিঠাকৈ ক'লে, "চোৱাচোন, মোক চিনি পোৱানে নোপোৱা—।"

কৰুণায়ো দুষ্টালিভৰা দৃষ্টিৰে গুৰুনাথলৈ চাই ক'লে, "পোৱাই পায়, নোপোৱাৰ কাৰণ নাই।"

এনেতে তাত আন এজন যুৱক ওলালহি। এই যুৱকলৈ আঙুলিয়াই গুৰুনাথে কৰুণালৈ চাই কৈ উঠিল, "মোৰ—ল'ৰা। নাম তাৰ শ্ৰীকান্ত।"

গুৰুনাথে ইচাৰাৰে শ্ৰীকান্তক তাৰপৰা আঁতৰি যাবলৈ ক'লে। শ্ৰীকান্ত গ'লগৈ। তেতিয়া গুৰুনাথে ৰতনলাল আৰু কৰুণাক ক'লে, "মোৰ দেউতাই কিছুমান কথা মনে-চিতে বিশ্বাস কৰে। দহ বছৰৰ আগতে মই কৰুণাজনীক চাই আহি

দেউতাক যি কথাখিনি কৈছিলোঁহি, তেওঁ পাহৰা নাছিল। তেতিয়া কৰুণাৰ স্বভাৱ, আচাৰ-ব্যৱহাৰত মই মুগ্ধ হৈছিলোঁ। শ্ৰীকান্ত মোৰ একমাত্ৰ পুত্ৰ। তাৰ জন্মৰ প্ৰায় লগে লগেই সি মাতৃহীন হ'ল। তেতিয়াৰেপৰাই — মই, দেউতা আৰু শ্ৰীকান্তই মিলি কেনেবাকৈ আছোঁ আৰু। কৰুণাৰ সৈতে মোৰ হঠাৎ দেখা, হঠাৎ চিনা। প্ৰথম দেখাতেই মই কৰুণাক ঈশ্বৰৰ কৰুণাধাৰা যেন পাইছিলোঁ, আৰু তেতিয়াৰেপৰাই কৰুণাক আমাৰ কাৰ অনাৰ ইমান যে মন! ৰতনলাল ডাঙৰীয়া, আপুনি যদি সন্মত, তেনেহ'লে মোৰ শ্ৰীকান্তৰ সৈতে কৰুণাজনীক— ।"

গুৰুনাথৰ কথা নৌশেষ হওঁতেই কৰুণাৰ দেউতাক ৰতনলালে কৈ উঠিল, "মোৰ কৰুণা আইজনীক যেতিয়া ইমানেই পছন্দ, মই সন্মত নহৈ নোৱাৰোঁ।"

"কিন্তু কেৱল আপোনাৰ সন্মতিৰে মোৰ মন নভৰে, কৰুণাজনীৰ নিজৰ সন্মতিও মোক লাগে। তেতিয়াহে মোৰ নধৰ-নপৰ লাগিব।" কৰুণাজনীলৈ চাই হাঁহি হাঁহি গুৰুনাথে ক'লে।

গুৰুনাথৰ কথাখিনি শুনি কৰুণাজনী তলমূৰ হ'ল। তাই ইমানেই লাজ পোৱা হ'ল যে তলমূৰ বহুপৰলৈকে ওপৰমূৰ কৰিবই নোৱাৰিলে।

কৰুণাৰ হাত এখনত ধৰি গুৰুনাথৰ দেউতাকে ক'লে, "কথাতে বোলে—মৌনং সন্মতি লক্ষণম্। ছোৱালীহঁতে তাতকৈ অধিক আৰু একো ক'ব নোৱাৰে, ক'ব নালাগেও।"

এই ঘটনাৰ অন্তত, কিছুদিনৰ পাছত, এক শুভ মুহূৰ্তত শ্ৰীকান্তৰ সৈতে কৰুণাৰ বিয়াখন হৈ গ'ল। এই বিয়াত নগৰৰ বিশিষ্ট গণ্য-মান্য লোকসকল যোগ দিছিল আৰু দুয়োকো তেওঁলোকে হিয়াভৰা আশীৰ্বাদ কৰিছিল।

বিষাল বুধি

অমৰপুৰীদেশৰ তিনিজন প্ৰহৰীয়ে চুবুৰীয়া ৰাজ্যৰ চোৰাংচোৰা বিনয়বৰ্মাক গ্ৰেপ্তাৰ কৰিলে। চুবুৰীয়া ৰাজ্যখনৰ নাম অশ্ব-দেশ। অশ্বদেশৰ চোৰাংচোৰাক বন্দী কৰাৰ কথা শুনি অমৰপুৰীৰ মহাৰাজে যে ভাল পাব, প্ৰহৰী তিনিটায়ো জানে।

চোৰাংচোৰা বিনয়বৰ্মাৰ লগত এটা সৰু টোপোলা আছিল। টোপোলাত কি আছে বুলি সোধাত বিনয়বৰ্মাই প্ৰহৰী-হঁতক ক'লে, "যি আছে তোমালোকে ভগাই খোৱা।"

শুনি প্ৰহৰীহঁতে ৰং পালে। টোপোলাটো খুলি চালে। টোপোলাত মিঠাই আছে। লাড়ু মিঠাই। লাড়ুখিনি সিহঁতে ভগাই ল'লে।

কিন্তু এজন প্ৰহৰীয়ে কৈ উঠিল, "বোলোঁ ঐ— এই লাড়ুবোৰত যে বিহ নাই, খাই যে ৰাজধানী নাপাই সিপাৰ নাপামগৈ—কোনে ক'ব? খাই নাভাবি ভাবি খা।"

শুনি বাকী প্ৰহৰী দুটাৰ মনতো খু-দুৱালে। হয় তো, হ'ব পাৰেও তো। লাড়ু খাই লৈ লৈ থৈ থৈখনত পৰাতকৈ নোখোৱাই কিজানি ভাল হ'ব, খালে কিজানিবা কাল হ'ব।

সিহঁতকেইটাৰ এই অৱস্থালৈ চাই চোৰাংচোৰা বিনয়বৰ্মাই সিহঁতক ক'লে, "তোমালোকে কি কথাত ইমান ভয় কৰিছা? লাড়ুবিলাকত বিষ আছে বুলি যদি সন্দেহ কৰিছা — তোমালোকেই যিকোনো এটা মোক দিয়া, আগতে মই খাওঁ, পাছত তোমালোকে মন গ'লে

মিলন মহন্ত

খাবা, মন নগ'লে পেলাই দিবা।"

সিহঁতে বিনয়ক লাড়ু এটা দিলে। বিনয়ে লাড়ুটো খাই, পানী এঢোকো খালে। কিন্তু বহু সময়ৰ পাছতো তাৰ মাজত কোনো পৰিৱৰ্তন হোৱা নেদেখি প্ৰহৰী-বিলাকে লাড়ুখিনি ভগাই খালে।

তাৰ পাছত সিহঁত গৈ থাকিল। হঠাৎ এঠাইত বিনয়বৰ্মা আৰু খোজ কাঢ়িব নোৱৰা হ'ল। বিনয়বৰ্মাই ঢলং-পলং কৰিবলৈ ধৰিলে।

বিনয়বৰ্মাই প্ৰহৰীকেইটাক ক'লে, "শুনা, ধৰা পৰিলে যে মোৰ মৃত্যু হ'ব—সেই কথা ধ্ৰুৱ বুলি জানি, এই বিষসনা লাড়ুখিনি লৈ ওলাইছিলোঁ। নহ'লে মোৰ ওপৰত অত্যাচাৰ কৰি আমাৰ দেশৰ গোপন কথাবোৰৰ জানিবলৈ নিশ্চয় তোমালোকৰ ৰজাই চেষ্টা কৰিলেহেঁতেন। এই লাড়ু-বোৰত যি বিষ আছে, তাৰ ক্ৰিয়া অলপ পলমকৈ হয়, কিন্তু এই বিষৰ ক্ৰিয়া—অৰ্থাৎ মৃত্যু সুনিশ্চিত। ময়ো মৰিম, তোমালোকো মৰিবা।"

চোৰাংচোৰা বিনয়বৰ্মাৰ কথা শুনি প্ৰহৰী তিনিটা পগলাহেন হৈ উঠিল। ইপিনে—বিনয়বৰ্মাৰো চকুযুৰি মুদ খাই পৰিছিল বিষৰ ক্ৰিয়াৰে। বিনয়ৰ অৱস্থালৈ চাই—প্ৰহৰী তিনিটাই বিনয়ক বাটৰ ওপৰতে বগৰাই দিলে, আৰু সিহঁতকো মৃত্যুভীতিয়ে আচ্ছন্ন কৰি পেলালে।

এটা প্ৰহৰীয়ে ক'লে, "এতিয়া—আন একো কৰিব নালাগে। ব'লা, আমি এতিয়াই ভূষণ ৰাজবৈদ্যৰ ওচৰলৈ লৰৰি যাওঁ। এতিয়া বৈদ্যৰ শৰণ নল'লে মৰণ।"

প্ৰহৰীকেইটাই বিনয়বৰ্মাক বগৰাই পেলাই বিষৰপৰা বাঁচনলৈ লৰ ধৰাত বিনয়বৰ্মাই ৰং পালে। কিয়নো—তেওঁৰ উপস্থিত বুদ্ধিয়ে গুণ দিলে।

লাড়ুত কোনো বিষ নাছিল; বিষ আছিল বিনয়ৰ বুদ্ধিত।

পঞ্চ প্ৰশ্ন

৪

যথাসময়ত ৰাজকোঁৱৰ ধীৰসিংহ ৰাজকুঁৱৰী সুলোচনাৰ ওচৰলৈ আহিল। সুলোচনাই মিঠা ব'দ কাচলিৰ দৰে মিঠা হাঁহিৰে মুখখন উজলাই ক'লে, "ইয়াৰপৰা পঞ্চাছ যোজন দক্ষিণ-পশ্চিম কোণলৈ গৈ থাকিলে এখন মায়াময় জগৎ পোৱা যাব। সেই মায়াময় জগতখনৰ আশে-কাষে কি আছে কি নাই তাৰ সা-সন্ধান নাপাই মোৰ মন-প্ৰাণ ভাল লগা নাই। সেই কথা জনাৰ কিমান যে মোৰ যত্ন, আৰু এয়ে হ'ল মোৰ চতুৰ্থ প্ৰশ্ন।

এই প্ৰশ্নৰ উত্তৰ বিচাৰি তিনি মাহৰ সময় খুজি লৈ ধীৰসিংহ সাত দিন-সাত ৰাতি দক্ষিণ-পশ্চিম দিশলৈ বুলি গৈ গৈ এখন নগৰৰ এমূৰত এটা কুঁৱাৰ পাৰত এজুম মানুহক আৰু বিশেষকৈ এহাল অভিজাত বয়সিয়াল দম্পতিক থিয় হৈ থকা দেখি তেওঁলোকৰ পিনে এখোজ-দুখোজকৈ আগুৱাই গৈ থাকিল।

'চান্দমামা'



কুঁৰাৰ পাৰত থিয় হৈ থকাহঁতৰ মাজত এজনে আন এজনক কৈ আছিল, "এই বয়সিয়াল দম্পতিৰ একমাত্ৰ পুত্ৰই এই কুঁৰাটোৰ ভিতৰলৈ জঁাপ দি আত্মহত্যা কৰিলে। তেওঁলোকক শোকে ইমানেই খুন্দা মাৰি ধৰিছে যে—তেওঁলোক শিলহেন জঠৰ হৈ পৰিছে।"

ধীৰসিংহই কৈ উঠিল, "মৃত্যু সকলোৰে জীৱনৰ এক সুনিশ্চিত কথা। মৃত্যু যদি হৈছেই আৰুনো আক্ষেপ কৰি কি হ'ব?"

এই দম্পতিৰ একমাত্ৰ পুত্ৰটিৰ নাম আছিল গুণশেখৰ। গুণশেখৰে যে এনেকৈ কুঁৰাত জঁাপ দি মৰিব সেই কথা কোনেও কল্পনাও কৰিব পৰা নাছিল। আৰু—আৰু এক বিস্ময়ৰ কথা হ'ল যে—কুঁৰাত জঁাপ দি পৰাৰ প্ৰমাণ আছে, যদিও মৃতদেহ এতিয়ালৈকে ভাহি উঠা নাই।

"ঠিক আছে—।" ধীৰসিংহই ক'লে, "মই এওঁলোকৰ পুত্ৰটিক কুঁৰাৰপৰা তুলি আনিছোঁ।" এই বুলি কৈয়েই ধীৰসিংহ কুঁৰাৰ ভিতৰলৈ জঁপিয়াই পৰিল।

কুঁৰালৈ জঁাপ মাৰি তলি পালেগৈ, কিন্তু কুঁৰাৰ তলিতো কোনো মৃতদেহ ধীৰসিংহই বিচাৰি নাপালে। কিন্তু এঠাইত এটা দ' গাঁতৰ সন্ধান পাই সেই গাঁতৰ ভিতৰলৈ সোমাই গ'ল। গাঁতৰ মাজেদি গৈ গৈ এঠাইত বিৰাট দুৱাৰ এখন দেখা পাই ধীৰসিংহ ৰ'ল আৰু লগে লগে সম্পূৰ্ণ মেল খাই পৰা সেই দুৱাৰখনৰ মাজেদি অলপমান গৈয়েই ধীৰসিংহই এখন ফুলনি আৰু ফুলনিখনৰ মাজত এটা অতি সুন্দৰ ঘৰো দেখা পালে।

সেই ঘৰ বা অট্টালিকাৰ ভিতৰত বহুতো চাকি জ্বলি আছিল আৰু এটা অতি উজ্জ্বল কক্ষত সুদৃশ্য মৰ্মৰপাথৰৰ আসনত বহি আছিল এগৰাকী পৰমাসুন্দৰী যুৱতী।

আৰু সেই মৰ্মৰপাথৰৰ আসনখনৰ বিপৰীতে আন এখন সুদৃশ্য আসনত বহি আছিল এজন ৰূপৱান যুৱক। যুৱকে

তন্ময় হৈ বীণা বাদন শুনি আছিল।

আগন্তুক ধীৰসিংহ এই কক্ষলৈ সোমাই অহাৰ লগে লগেই বীণা বাদন বন্ধ হ'ল, আৰু সকলোৱে অচিনাকি ধীৰসিংহলৈ ঘূৰি চালে। ধীৰসিংহই বলিষ্ঠ খোজেৰে সেই যুৱকৰ কাষ চাপিল আৰু ক'লে, "গুণশেখৰ, তোমাৰ কাৰণে তোমাৰ পিতৃ-মাতৃ বলিয়াহেন হৈ উঠিছে, তোমাক বিচাৰি ফুৰিছে, আৰু তুমি ইয়াত বহি বীণা বাদন শুনি আছা ? এয়েনে সন্তানৰ ধৰ্ম ?"

ধীৰসিংহৰ কথা শুনি গুণশেখৰ তলমূৰ হ'ল। তেতিয়া ধীৰসিংহই সেই যুৱতীলৈ চাই ক'লে, "হে পৰমাসুন্দৰী ! তুমি ইয়াত যিজন যুৱকক মোহাবিষ্ট কৰি আটক কৰি থৈছা, সেই জনৰ পিতৃ-মাতৃৰ মনোবেদনাৰ কথাটোও এবাৰ চিন্তা কৰি চোৱা, আৰু তেওঁক তেওঁৰ পিতৃ-মাতৃৰ ওচৰলৈ যাবলৈ কোৱা।"

যুৱতীয়ে ক'লে, "গুণশেখৰ যদি পৃথিৱীলৈ যাবলৈ বিচাৰে, বাধা নিদিওঁ; যদিও—মই পৃথিৱীলৈ যাব নোৱাৰিম। মই পৃথিৱীত পদাৰ্পণ কৰামাত্ৰেই মোৰ ৰূপ-গুণ সকলো হেৰাই যাব। গতিকে—গুণশেখৰক আপুনি লৈ যাওক।"

জীৱন্ত গুণশেখৰক লগত লৈ যেতিয়া ধীৰসিংহ কুঁৱাৰপৰা ওপৰলৈ উঠি আহিল, তেতিয়া সকলোটি অবাক-হতবাক হৈ পৰিল। কাৰো মুখৰপৰা এটা শব্দও নোলাল। সকলো যেনিবা জঠৰ হৈ পৰিল। সকলো কথা-কাণ্ড সপোন যেন লাগিল। গুণশেখৰৰ পিতৃ-মাতৃ ইমানেই হতবুদ্ধিহেন হৈ পৰিল যে কি ক'ব-কি নক'বা ঠাৱৰ কৰিব নোৱাৰিলে।

কিন্তু ধীৰসিংহ তাত মুহূৰ্তমানো নৰ'ল। সকলোকে বিস্মিত কৰি গুণশেখৰক তাত এৰি থৈ। তৎমুহূৰ্তেই তাৰপৰা গুচি গ'ল।

এইবাৰ ধীৰসিংহ একেৰাহে তিনিদিন-তিনিনিশালৈকে বাট বুলি বুলি গৈ থাকিল। গৈ গৈ এখন নগৰ পালেগৈ।

সেই নগৰখন পাই তেওঁ বুজি পালে যে—পঞ্চাছ যোজন দক্ষিণ-পশ্চিম দিশ পালেহিয়েই তেওঁ।

সেই নগৰৰ বুঢ়া মানুহ এজনক সুধি গম পালে যে—সেই ঠাইৰ আশে-কাষে মায়াময় জগত এখন আছে কিন্তু তালৈ গ'লে কোনো উভতি আহিব নোৱাৰে।

কিন্তু ধীৰসিংহৰ যে তালৈ যাবলৈ দৃঢ় সংকল্পবদ্ধ, তালৈ লক্ষ্য কৰি বুঢ়া মানুহজনে ক'লে, "এই নগৰৰ দক্ষিণ দুৱাৰেদি ওলালেই দুছোৰা বাট দুফাললৈ যোৱা দেখিবা। সোঁফালৰছোৰা এৰি বাঁওফালৰ বাটছোৰাৰে গৈ থাকিলে পাহাৰৰ গাতে লগা বিৰজাপুৰ নগৰ পাবা। সেই নগৰতে আছে সেই মায়াময় জগত। সেই মায়া-জগতৰ মোহান্ধ ৰজাৰ মণি-মুকুতালৈ বৰ লোভ। তেওঁ হাত কৰিবলৈ হ'লে মণি-মুকুতা লাগিব ঢেৰ। তাৰ পাছত অৱশ্যে তোমাৰ ইচ্ছা পূৰ নহৈ নাথাকে।"

বুঢ়া মানুহজনৰ কথা মতে গৈ থাকি ধীৰসিংহ বিৰজানগৰ পালেগৈ, আৰু তাৰ ৰজাক মণি-মুকুতা দিলে। ধীৰসিংহই সেই ৰজাক প্ৰতিদিনেই নানান ধৰণৰ-বৰণৰ মণি-মুকুতা দিয়াত এদিন ৰজাই ধীৰসিংহক ক'লে, "তুমি প্ৰতিদিন আহিছা, মোক ভাল পাই মণি-মুকুতাও দিছা। মই তোমাৰ প্ৰতি অত্যন্ত তুষ্ট হৈছোঁ। তোমাক কি লাগে কোৱা।"

"মহাৰাজ! যদি মোৰ ইচ্ছাক ক্ষমা কৰে--" ধীৰসিংহই ধীৰে কণ্ঠেৰে ক'লে, "আপোনাৰ মায়াময় জগতখনৰ চোৱাৰ অনুমতি দিয়ে যদি, মই জীৱনত ধন্য মানিম আপোনাৰ ওচৰত ওৰে জীৱনলৈ ধৰুৱা হৈ থাকিম।"

ধীৰসিংহৰ কথাটি শুনি ৰজা যেনিবা উচপ খাই উঠিল। তেওঁ খন্তেকমান চকু মুদি থাকিল, আৰু তাৰ পাছত তেওঁ ধীৰসিংহক ক'লে, "সেই জগতলৈ যোৱাৰ ইচ্ছা তোমাৰ মনত যিহঁতে জগাই

তুলিছে—সিহঁত আচলতে তোমাৰ শত্ৰু, সেই কথাত মোৰ তিলমান সন্দেহো নাই। তালৈ যোৱহঁত আৰু কেতিয়াও নোভতে। তোমাৰ ভালৰ কাৰণে কওঁ, এই চিন্তা তুমি এতিয়াই পৰিত্যাগ কৰা। তুমি যদি তালৈ এবাৰ কেনেবাকৈ গৈছা, আৰু ইয়ালৈ ঘুভতিছা।"

কিন্তু ধীৰসিংহ আছিল লক্ষ্যত স্থিৰ। সেয়েহে তালৈ যাবলৈ তেওঁ বিশেষভাৱে ৰজাৰপৰা অনুমতি প্ৰাৰ্থনা কৰিলে। ৰজাই ধীৰসিংহৰ নেৰানেপেৰা অনুৰোধ এবাব নোৱাৰি দুজন বছা বছা প্ৰহৰীক আদেশ দিলে ধীৰসিংহক তেওঁৰ আকাংক্ষিত ঠাইলৈ অৰ্থাৎ মায়াজগতলৈ লৈ যাবলৈ।

নগৰৰ দক্ষিণ দিশৰ কিছু দূৰত চাৰিজন প্ৰহৰীয়ে পৰ দি আছিল। তাত এখন প্ৰকাণ্ড ফলিত লিখা আছিল: 'জীৱনলৈ মৰম আছে যাৰ, ইয়ালৈ প্ৰৱেশ নিষেধ তাৰ'।

এই লিখন পঢ়াৰ অন্ততো যেতিয়া ধীৰসিংহ তালৈ—অৰ্থাৎ মায়া-জগতলৈ যাবলৈ মত প্ৰকাশ কৰিলে, তেতিয়া প্ৰহৰীহঁতে সেই জগতলৈ প্ৰবেশৰ বাবে প্ৰকাণ্ড দুৱাৰ খুলি দিলে, আৰু ধীৰসিংহ পোনকোৱেই সেই প্ৰকাণ্ড দুৱাৰৰ মাজেদি মায়া-জগতলৈ সোমাই গ'ল, আৰু পাছ-মুহূৰ্ততে সেই বিশাল দুৱাৰখন পুনৰ সশব্দে বন্ধ হৈ গ'ল।

তিনি খোজমান আগুৰাই গৈয়েই ধীৰসিংহই লক্ষ্য কৰিলে যে তাত কোনো দুৱাৰো নাই, প্ৰাচীৰো নাই, আছে কেৱল দিগন্ত-বিয়পা পথাৰ আৰু পথাৰ ...। কি হ'ল, কি হ'ব, ক'লৈ যাব—এইবোৰ ভাবি থাকোঁতেই এজন জটাধাৰী মানুহ ক'ৰবাৰপৰা ওলালহি আৰু ধীৰসিংহক ক'লে, "আগন্তুকসকলক মই সৰোবৰত স্নান কৰাওঁ।"

জটাধাৰীৰ ইংগিতক্ৰমে ধীৰসিংহই পিছে পিছে গৈ থাকিল। গৈ গৈ এটা প্ৰকাণ্ড অট্টালিকাৰ মাজতে এটা সৰোবৰ দেখা পাই তাত ৰ'ল। বৈ দিয়াৰ লগে লগে ধীৰসিংহক লৈ অহা সেই প্ৰহৰী দুজনৰ মাজত এজনে তেওঁৰ মূৰত তিনি লোটা পানী ঢালিলে, আৰু পাছমুহূৰ্ততে সেই প্ৰহৰীজন অদৃশ্য হৈ পৰিল। সৰোবৰত আগতে পানী বৰ বেছি নাছিল; কিন্তু এইবাৰ পানী বাঢ়িবলৈ ধৰিলে আৰু ধীৰসিংহ ডিঙিলৈকে বুৰিল। কিন্তু পানী তথাপি বাঢ়ি থাকিল। হঠাৎ ধীৰসিংহই তেওঁৰ মূৰৰ ওপৰত শিকলি এডাল দেখা পাই থাপ মাৰি শিকলিডালত ধৰি ওলমি দিলে। আৰু সেই মুহূৰ্তৰপৰা ঠাইডোখৰ অন্ধকাৰত জাহ যাবলৈ ধৰিলে। অকস্মাৎ ধীৰসিংহই নিজক সৰোবৰৰ সলনি নিমাও-মাও মুকলি পথাৰত থিয় হৈ থকা দেখা পালে। তাত ঢেৰ শিলৰ মূৰ্তি আছিল। আৰু আছিল ধনুকাঁড়। কেইখোজমান আগুৰাই গৈ ধীৰসিংহই এটা সোণৰ সজা ওলমি থকা দেখি বৈ দিলে তাত। সজাৰ ভিতৰত চৰায়ে এটা আছিল। তাত এঠাইত লিখা আছিল: 'পাঁচশ বছৰৰ আগতে অমৰতেজ নামৰ এজন মানুহ ইয়ালৈ আহিছিল। তেওঁ ইয়াত এক অপৰূপ জীৱমণি পাইছিল আৰু তেওঁৰ মৃত্যুৰ পাছত যাতে যোগ্য কোনোবাই সেই জীৱমণি পায়, তাৰ ব্যৱস্থা কৰি গৈছিল। এই ধনু-কাঁড়েৰে যিজনে এই সজাৰ



চৰাইৰ চকুত বিন্ধিব পাৰিব, তেৱেঁই পাব সেই জীৰমণি। আৰু—এই চেষ্টা-প্ৰচেষ্টা কৰি যিহঁত ব্যৰ্থ হ'ব, সিহঁত শিলৰ মূৰ্তি হৈ ইয়াত অনন্তকাললৈ পৰি থাকিব'।

মুহূৰ্তেক ভাবি ধীৰসিংহই ধনু-কাঁড় দাঙি লৈ চৰাইৰ চকুলৈ কঁড়িয়ালে। কিন্তু চৰাইৰ কাষেদি কাঁড়ডাল ওলাই গ'ল। দ্বিতীয়বাৰ কঁড়িউৱাতো ফলাফল একেই হ'ল। তেতিয়া চৰাইটোৱে হাঁহি মাৰি ক'লে, "হে ধীৰসিংহ! তুমি বৃথা চেষ্টা কৰি আছা। কোনো দিনে-কোনো কালে তুমি মোক কাঁড়বিদ্ধ কৰিব নোৱাৰিবা।"

কিন্তু ধীৰসিংহই তথাপি পুনৰ্বাৰ ধনু-কাঁড় দাঙি ল'লে, আৰু এইবাৰ তেওঁ সফলতা আৰ্জিলে। কাঁড়ে চৰাইটোৰ বাঁও চকুত বিন্ধিলেগৈ। আৰু লগে লগে সহস্ৰ বজ্ৰপাতৰ দৰে শব্দ উঠিল। চতুৰ্দিশ ধোঁৱা-কোৱা হৈ গ'ল। ধীৰসিংহই চকুৰে একো নমনা হ'ল। সমগ্ৰ অঞ্চল নিমজ্জ অন্ধকাৰত জাহ গ'ল। কিন্তু কেইমুহূৰ্তমানৰ পাছতেই এক মোহময়ী জোনালীয়ে স্নিগ্ধতাৰ জোৱাৰ কঢ়িয়াই আনিলে। আৰু সেই স্নিগ্ধ জোনালীৰ পোহৰৰ মাজত শিলৰ মূৰ্তিবোৰে প্ৰাণ পাই একো একোজন ৰাজকোঁৱৰৰ ৰূপ ল'লে। এই ৰাজকোঁৱৰসকলে ধীৰসিংহলৈ যথোচিত কৃতজ্ঞতা জ্ঞাপন কৰি নিজ নিজ দেশলৈ বুলি খোজ ল'লে।

তাৰ পাছত এদিন ধীৰসিংহও মায়া জগতৰপৰা বিদিশানগৰলৈ উভতি গ'ল, আৰু ৰাজকুঁৱৰী সুলোচনাক আশ্চৰ্য্যময় ঘটনাসমূহ বিবৰিলে।

সকলো কথা শুনাৰ অন্তত ৰাজকুঁৱৰী সুলোচনাই ৰাজকোঁৱৰ ধীৰসিংহক ক'লে, "বিভিন্ন দেশৰ ৰাজকোঁৱৰে ৰাজকোঁৱৰ ধীৰসিংহৰ শলাগ লোৱা শুনি ময়ো শলাগ লৈছোঁ। কালিলৈ মই মোৰ শেষ তথা পঞ্চম প্ৰশ্ন সুধিম।" [অহা সংখ্যাত



সময়ৰ শৰ

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই বিশেষ গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, তোমাৰ শ্ৰমৰ সততালৈ মোৰ সন্দেহ নাই। কিন্তু কেতিয়াবা কেতিয়াবা পৰিস্থিতি-পৰিৱেশে সততাকো পৰিৱৰ্তিত কৰি পেলায়, ঘটনাপ্ৰবাহই তাৰ নিজস্ব সুঁতিৰে নবৈ অন্য সুঁতিৰে বৈ যায়। কিন্তু সময়ৰ শৰ সময়তে মাৰিব নোৱাৰিলে কি হয়—সেই সম্পৰ্কে ৰাজকুঁৱৰী নালন্দাৰ কাহিনী ক'ম। এই কাহিনীয়ে আন একো দিব নোৱাৰিলেও জীৱনত চিন্তাৰ সমল যোগাব।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে:

'বেতাল-কথা'



দেশৰ নাম শান্তিপুৰ। এই দেশৰ কোনোবা এখন গাঁৱত এজন ভেড়া-ৰখীয়া আছিল, তাৰ নাম শিৱ। শিৱ আছিল বয়সত তৰুণ, আৰু প্ৰচণ্ড সাহসী। এদিন শিৱই পাহাৰৰ নামনিত ভেড়া চৰাই থাকোঁতে এজন সাধুক দেখা পাই অবাক হ'ল। সাধুৱে আগবাঢ়ি আহি শিৱক ক'লে, "শুনা বোপা, তোমাৰ নাম যে শিৱ, জানো নাই। আগলৈ তুমি এখন দেশৰ ৰজা হ'বা। গতিকে—সেইদৰে নিজক প্ৰস্তুত কৰা। নহ'লে—হঠাৎ ৰজা হৈ বিপাঙত পৰিবা।" এই বুলি কৈয়েই সেই সাধুগৰাকী তাৰপৰা গুচি গ'ল।

সাধুৰ কথাত ভেড়া-ৰখীয়া ভেবুৰা লাগিল। সি ভাবিলে : মই এটা সামান্য ভেড়া-ৰখীয়া, মইনো কেনেকৈ ৰজা হ'ম? —বহু পৰলৈকে এনেকৈ ভাবি ভাবি এসময়ত তাৰ ধাৰণা হ'ল যে—সাধুৰ কথা সঁচা হৈ উঠিবও পাৰে। গাঁৱলৈ উভতি গৈ সাধুৰ কথা আৰু সাধুৱে কোৱা কথাখিনি সি গাঁৱৰ কেইজনমানক ক'লে। কিন্তু তাৰ কথা শুনি গাঁৱৰ ৰাইজে তাক এইদৰে ফেউ ফেউ নকৰিবলৈ ক'লে।

সেই গাঁৱৰে দৰ্জি এজনে শিৱৰ কথা শুনি তাৰ লগত অলপ ধেমালি-ধুমুলা কৰাৰ মনেৰে ক'লেহি, "হেৰা শিৱ, তোমাক বোলে পকৰাইনে সাধুৱে পালেহে। তুমি বোলে ৰজানে গজা উঠিবা? যদি উঠাই ৰজা, তেনেহ'লে এইহেন মাগি খোৱাহঁতৰ কাপোৰ-কানিখিনি পিন্ধি থকা উচিত হৈছেনে তোমাৰ? মই বৰঞ্চ তোমাক ৰজাৰ সাজ-পাৰ চিলাই দিওঁ, তুমি সেইবোৰ পিন্ধি ভেড়া চৰাই ফুৰিবা। কেতিয়া যে হঠাৎ তোমাক মজা মাৰিবলৈ মজাকৈ মাতিব—তাৰ কি ঠিক?"

দৰ্জিৰ কথাখিনি ধেমালি হিচাপে নলৈ শিৱই তাৰ সাঁচি থোৱা ধনখিনি দৰ্জিক ৰজাঘৰীয়া সাজ-পাৰ চিলাবলৈ দিলে।

দৰ্জিয়েও শিৱক—আচল নহ'লেও—



ভাওনাৰ ৰজাহঁতৰ হলো চোলা এটা চিলাই দিলে আৰু শিৰয়ো সেই হলো পিন্ধি ভেড়াৰ জাকবোৰৰে সৈতে টলো টলোকৈ ঘূৰি ফুৰিবলৈ ধৰিলে ।

যেয়ে দেখে সেয়ে হাঁহে, শিৰক দেখি সৰে কাহে। এদিন মল্লবৰ্মন নামৰ মানুহ এজনে শিৰক ক'লে, "হেই চোৰা—, তুমি যে ৰজা হ'বা, যুঁজ দিবানো কেনেকৈ? মালযুঁজ জানিব নালাগিব জানো?" তুমি দেখোন কি বোলেনে—তৰোৱাল-টৰোৱালো চলাব নাজানা। কেৱল ৰজাৰ পোছাক-পাতি পিন্ধিলেই হ'বনে? তৰোৱাল নালাগিবনে?"

শিৰই তেতিয়া ৰণুৱা বিশ্ববৰ্মাৰ কাষ চাপিল। বিশ্ববৰ্মাই ক'লে, "দিম তোমাক তৰোৱাল-যুদ্ধ শিকাই। পিছে—তৰোৱাল এখন লৈ আহাঁগৈ।"

শিৰই ভাবি থাকিল ঃ মোৰ সাঁচতীয়া ধনখিনিৰে ৰজাৰ পোছাক চিলোৱালোঁ। এতিয়া তৰোৱালনো কেনেকৈ'-ক'ৰপৰা কিনো? —ভাবি ভাবি গাঁৱৰ ভৈৰৱ কমাৰৰ কাষ চাপি ভৈৰৱ কমাৰক ক'লেগৈ, "হেৰা ভৈৰৱ, মই অলপতে ৰজা হ'ম। এতিয়া যদি ভাল চাই তৰোৱাল এখন বনাই দিয়া, ৰজা হোৱাৰ পাছত তোমাক মই ঢেৰ ঢেৰ উপহাৰ-পুৰস্কাৰ দিম।"

ভৈৰৱ কমাৰে আলুলৈকে উলিয়াই হাঁহি মাৰি ক'লে,"চোৰা শিৰ, মোৰ ছটা ভেড়া হেৰাল। তুমি যদি ভেড়া ছটা বিচাৰি আনিব পাৰা, দিম মই তৰোৱাল এখন বনাই।"

শিৰ ওলাল ভৈৰৱৰ ভেড়া বিচাৰি। বহু সময় ধৰি বিচৰাৰ অন্তত ভেড়া ছটা বিচাৰি পোৱা হ'ল। সেই ভেড়া ছটাক লৈ ওভতোঁতে বাটত এখন ৰথৰ মুখামুখি হ'ল শিৰ। এইখন ৰথত বহি আছিল শান্তিপুৰদেশৰ ৰাজকুঁৱৰী নালন্দা। ৰাজকুঁৱৰী নালন্দাই বাটত ৰজাৰ সাজ-পাৰ পিন্ধা মানুহ এজনক ভেড়া-ৰখীয়াৰ ভাৰত

দেখি অবাক হৈ ৰথ ৰখাই শিৱক সুধিলে, "তুমিনো ৰাজকোঁৱৰ হৈ ভেড়া-ৰখীয়াৰ কাম কিয় কৰিছা? তুমিনো কোন দেশৰ ৰাজকোঁৱৰ?"

ৰাজকুঁৱৰীলৈ মুগ্ধ দৃষ্টিৰে চাই শিৱই ক'লে, "মই কোনো দেশৰ ৰাজকোঁৱৰ নহওঁ, পিছে—এমাহৰ ভিতৰতে মই ৰজা হ'ম। আৰু ৰজা হৈয়েই মই তোমাক বিয়া কৰাম। তুমি মোক বিয়া কৰাবানে?"

শুনি নালন্দাৰ খং উঠিল। ৰাজকুঁৱৰী নালন্দাই প্ৰহৰীহঁতক ক'লে, "এইটোক ধৰি লৈ ব'লা।" এই বুলি কৈয়েই ৰাজকুঁৱৰীয়ে পুনৰ ৰথ চলাই দিলে।

ৰাজপ্ৰহৰীহঁতে শিৱক কটকটীয়াকৈ বান্ধি ৰাজধানীলৈ লৈ যাবলৈ ধৰিলে। বাটত সিহঁতক শৰাবন্দী নামৰ বিৰাট ৰাক্ষস এটাই আগভেটি ধৰিলে। শৰাবন্দী ৰাক্ষসৰ মূৰত আছিল মুকুট, গাত অমূল্য অলংকাৰ, কঁকালত তৰোৱাল আৰু হাতত ৰত্নখচিত বিৰাট টাঙোন।

ৰাক্ষসটোক দেখা পায়েই প্ৰহৰী-কেইটা ভয়ৰ কোবত পলাই পত্ৰং দিলে। কেৱল প্ৰহৰীহঁতেই নহয়, ৰাজকুঁৱৰী নালন্দাৰ লগত থকা তেওঁৰ সখিয়েকহঁতো পলাই গ'ল। তেতিয়া তাত থাকিল কেৱল ৰাজকুঁৱৰী আৰু শিৱ।

ৰাক্ষস-ৰজা শৰাবন্দীয়ে ৰাজকুঁৱৰী নালন্দাক ক'লে, "হে ৰাজকুঁৱৰী, মই

হ'লোঁ। ৰাক্ষস-ৰজা, মোৰ নাম শৰাবন্দী। ভূলোকৰ ভাল দিশবোৰৰ সা-সন্ধান জানিবলৈ আৰু কিছুমান মূল্যৱান বস্তু কিনিবলৈ মই ইয়ালৈ আহিছোঁ। কিন্তু মই সোধোঁ—তুমি শিৰৰ ওপৰত ইমান বিতুষ্ট হৈছা কিয়? শিৰ যে এমাহুৰ ভিতৰত ৰজা হ'ব—সেই কথা সত্য। সাধুৱে তাক ৰজা হোৱাৰ কথা কোৱা মই শুনিছিলোঁ। ৰজা হোৱাৰ পাছতহে শিৰই তোমাক বিয়া কৰাব বুলি কৈছিল।"

নালন্দাই ক'লে, "সেই বুলি মই এটা ভেড়া-ৰখীয়াক বিয়া কৰামনে? তাৰ মাজত বীৰত্বৰ লা-লক্ষণ কিবা আছেনে?"

শৰাবন্দী ৰাক্ষসে হাঁহি মাৰি ক'লে, "ঠিক আছে, তাক যদি মই বীৰত্ব প্ৰদান কৰোঁ—তেতিয়াও তাক বিয়া কৰোৱাত কিবা আপত্তি হ'বনে তোমাৰ?"

নালন্দাই অলপ ভাবি লৈ ক'লে, "কিছুদিনৰ পাছত সিংহপুৰৰ ৰজাই আমাৰ দেশ আক্ৰমণ কৰিব। শিৰই যদি সিংহপুৰৰ ৰজাক পৰাস্ত কৰিব পাৰে, তেনেহ'লে মই তাক বিয়া কৰাম।"

এপষৰ ভিতৰত ৰাক্ষসৰাজ শৰাবন্দীয়ে শিৰক সকলো প্ৰকাৰৰ যুদ্ধবিদ্যা শিকাই দিলে। তাৰ পাছত—শৰাবন্দীয়ে আৰু শিৰই সম্মিলিতভাৱে সিংহপুৰৰ ৰজা বিক্ৰমসিংহৰ সৈন্য বাহিনীক আক্ৰমণ কৰি পযু্যদস্ত কৰিলে। তেতিয়া স্বয়ং

বিক্ৰমসিংহৰ যুদ্ধক্ষেত্ৰলৈ গ'ল। কিন্তু চাওঁতে চাওঁতে শিৰই বিক্ৰমসিংহৰ হাতৰ তৰোৱাল ওফৰাই পেলালে, আৰু উপায় নেদেখি বিক্ৰমসিংহ ঘোঁৰাত উঠি তীব্ৰ গতিৰে পলাই পত্ৰং দিলে।

পাছদিনা ৰাক্ষসৰাজ শৰাবন্দী নালন্দাৰ ওচৰলৈ গ'ল আৰু ক'লে, "শিৰই বিক্ৰম-সিংহক বেয়াকৈ পৰাজিত কৰিলে। পৰাজিত বিক্ৰমসিংহ যুদ্ধক্ষেত্ৰ এৰি সাত চেউৰীৰ লৰ দি পলাল।"

ৰাজকুঁৱৰী নালন্দাই গম্ভীৰ কণ্ঠেৰে ক'লে, "বিক্ৰমসিংহৰ পৰাজয়ত শিৰৰ কিবা গুৰুত্ব আছে বুলি মই নাভাবোঁ। তোমাৰ এই পৰ্বতহেন বিৰট দেহ দেখিহে বিক্ৰমসিংহৰ সৈন্যইত, আৰু বিক্ৰমসিংহো পলাল। এই জয় তোমাৰ, শিৰৰ নহয়।"

শৰাবন্দীয়ে নালন্দাক ক'লে, "তোমাৰ নিজৰ প্ৰতিশ্ৰুতিৰ মৰ্য্যাদা ৰক্ষা কৰিবা বুলি মই আশা কৰোঁ।"

নালন্দাই এই কথাৰ উত্তৰ দিবলৈ লওঁতেই এজন প্ৰহৰী দৌৰি আহিল আৰু হেঁপাই-ফোঁপাই ক'লে, "মহাৰাণী! আমি এইমাত্ৰ খবৰ পালোঁ যে সিংহপুৰৰ ৰজা বিক্ৰমসিংহ ঘোঁৰাৰ পিঠিৰপৰা পৰি মৰিল। বিক্ৰমসিংহ আছিল অতি প্ৰজা উৎপীড়ক ৰজা। সেই কাৰণে—সিংহপুৰৰ প্ৰজাবৰ্গই—শিৰই মহাৰাজ বিক্ৰমসিংহক পৰাস্ত কৰাত শিৰকে ৰজা পাতিব বুলি স্থিৰ কৰিছে।"

নালন্দাই শিৰলৈ এবাৰ চাই তৎক্ষণাৎ কৈ উঠিল, "এই বিবাহত মোৰ কোনো আপত্তি নাই।"

ৰাক্ষস শৰাবন্দীয়ে হো হোৱাই হাঁহি মাৰি ক'লে, "দেখা গ'ল যে—মানুহতকৈ ৰাক্ষসৰ বুদ্ধিহে অধিক।" তাৰ পাছত—ৰাক্ষস শৰাবন্দীয়ে শিৰক সুধিলে, "তুমি এতিয়াও এই ৰাজকুঁৱৰীক বিয়া কৰাবলৈ ইচ্ছুকনে বাৰু?"

শিৰই খাৰাংখাচকৈ কৈ দিলে, "মই

এতিয়া আৰু এইজনী অস্থিৰমতি ৰাজকুঁৱৰীক বিয়া নকৰাওঁ।"

ৰাক্ষসৰাজ শৰাবন্দীয়ে শিৰৰ পিঠিত থপৰিয়াই ক'লে, "চা—ব্বাইচ বেটা! তুমি পাৰিবা। ৰজা হৈ ভাল প্ৰজাপালক হ'ব পাৰিবা তুমি। তোমাৰ বিবেক-বুদ্ধি বোলা পদাৰ্থ আছে, সময়ৰ শৰ সময়তে মাৰিবৰ তাগজ তোমাৰ আছে।" এই বুলি কৈ শৰাবন্দী তাৰপৰা নিমিষতে নোহোৰা হ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা! শিৰই ৰাজকুঁৱৰী নালন্দাক বিবাহ কৰাহেঁতেন যুগপৎ সিংহপুৰী আৰু শান্তিপুৰ দেশৰো ৰজা হ'ব পাৰিলেহেঁতেন। এনে সুৰৰ্ণ সুযোগ পায়ো হেৰুউৱাটো তাৰ পক্ষে মূৰ্খামী নহ'লনে? এনেহেন যথামূৰখ এটাক শৰাবন্দীয়ে কিয় শলাগিছিল? জানিও যদি মোৰ প্ৰশ্নৰ উত্তৰ সঠিককৈ নিদিয়া, তেনেহ'লে তোমাৰ বিষম বিপদ অনিবাৰ্য্য বুলি জানিবা।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "ৰাজকুঁৱৰী নালন্দা আছিল অতি স্বাৰ্থপৰ। ভেড়া-ৰখীয়া বুলি জানি যিজন শিৰলৈ নালন্দাই উপেক্ষা প্ৰদৰ্শন কৰিছিল, সেই শিৰ যেতিয়া সিংহপুৰৰ ৰজা হ'ব বুলি বুজি পোৱা হ'ল, তেতিয়া আৰু শিৰক বিয়া কৰাবলৈ নালন্দাৰ আপত্তি নাথাকিল। নালন্দাৰ এনে স্বাৰ্থপৰতাক শিৰই মুঠেই ভাল পোৱা নাছিল আৰু সেই কাৰণে শিৰই কেৱল সিংহপুৰৰ ৰজা হৈয়েই তুষ্ট হৈছিল। ৰাক্ষস শৰাবন্দীয়ে শিৰৰ সৎসাহসৰ শলাগ লৈ প্ৰকৃত বিচক্ষণতাহে প্ৰদৰ্শন কৰিছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



মাহীমাক

শিল্প-সাহিত্যলৈ ৰাপ থকা এগৰাকী মহিলাই তেওঁৰ সতিয়৾ পুত্ৰক নিজ-পুত্ৰহেন জ্ঞান কৰি তুলি-তালি ডাঙৰ-দীঘল কৰিলে। মাহী-মাকৰ সাহিত্যপ্ৰীতিৰ ফলত সেই পুত্ৰটিও ডাঙৰ হৈ কবি হ'ল।

কিছুদিনৰ অন্তত সতিয়৾ পুত্ৰইতৰ প্ৰতি মাহীমাকইতৰ অত্যাচাৰৰ কথা কঠোৰভাৱে লিপিবদ্ধ কৰি এই পুত্ৰটিয়ে এখন ব্যংগকাব্য ৰচনা কৰিলে। এই ব্যংগ-কাব্যখন চাওঁতে চাওঁতে জনপ্ৰিয় হৈ উঠিল, আৰু দেশৰ ৰজাৰপৰাও কবি পুৰস্কৃত হ'ল। ৰজাৰপৰা সন্মান তথা পুৰস্কাৰ পোৱাৰ পাছত পুত্ৰই তেওঁৰ মাহীমাকক প্ৰণাম কৰিলে।

তেতিয়া মাহীমাকে ক'লে, "বোপা, মাহীমাকইতৰ সম্পৰ্কে অধিকভাগ মানুহৰ যি ধাৰণা তুমিও তাকেই লিখিছা। কিন্তু তোমাক মই নিজৰ পুত্ৰৰ দৰেই লালন-পালন কৰিছিলোঁ। কেনেকৈনো তুমি এইবোৰ লিখিলা তেন্তে?" এই বুলি কৈয়েই তেওঁ কান্দিবলৈ ধৰিলে।

"মা, মোক ক্ষমা কৰা। সংসাৰৰ সকলো মাহীমাক তোমাৰ দৰে হোৱাহেঁতেন মই নিশ্চয়ইএনে ব্যংগ-কাব্য নিলিখিলোহেঁতেন। সাহিত্যয়েই তোমাক সুসংস্কৃত কৰি তুলিলে। কিন্তু অন্যান্য মাহীমাকক মই কি বুলি ক'ম?" পুত্ৰই তেওঁৰমাহীমাকৰ চকুলো মচি দিলে।



চান্দমামা ক্ৰোড়পত্ৰ-৭

জ্ঞান ভাণ্ডাৰ

ঐতিহাসিক

এই মাহৰ ব্যক্তিত্ব

মহাৰাণা প্ৰতাপ

মেৱাৰৰ মহাৰাণা উদয় সিংহৰ পুত্ৰ, ৰাজপুতানাৰ বিখ্যাত বীৰ প্ৰতাপ সিং ১৫৪০ চনৰ ৯ মে' তাৰিখে জন্মগ্ৰহণ কৰিছিল।

প্ৰতাপ যেতিয়া মেৱাৰৰ মহাৰাণা হ'ল, তেতিয়া আকবৰে তেওঁৰ সাম্ৰাজ্য বিস্তাৰ কৰোঁতে ৰাজপুত ৰজাসকলক বিভিন্নভাৱে বশ্যতা স্বীকাৰ কৰালে; কিন্তু মহাৰাণা প্ৰতাপে আকবৰৰ প্ৰস্তাৱ মানি নল'লে।

১৫৭৬ চনৰ ১ এপ্ৰিল তাৰিখে মানসিংহৰ সেনাপতিত্বত পৰিচালনাত মোগলসৈন্যৰ বিৰুদ্ধে ৰণ দিলে হল্‌দিঘাট নামৰ ৰণক্ষেত্ৰত। প্ৰতাপ মোগলৰ বিৰুদ্ধে বিজয়লাভৰ দুৱাৰমুখ পাওঁতে তেওঁৰ বিশ্বস্ত অশ্ব চেতক আহত হোৱাত ৰণত ভংগ দিবলৈ বাধ্য হ'ল। আহত হৈও চেতকে তাৰ প্ৰভুক নিৰাপদ ঠাইলৈ লৈ গ'ল।

হল্‌দিঘাটৰ এই স্মৰণীয় যুদ্ধৰ পাছতো মোগল অৰ্থাৎ আকবৰ অধিকৃত তেওঁৰ ৰাজত্বৰ ঠাইবোৰ উদ্ধাৰ কৰিবলৈ প্ৰতাপে বাৰে বাৰে মোগলৰ বিৰুদ্ধে যুঁজ দিছিল। ১৫৯৭ চনত প্ৰতাপৰ মৃত্যু হ'ল। কিন্তু ভাৰতবাসীৰ স্মৃতিত ৰাণা প্ৰতাপ আজিও অমৰ।

তেওঁনো কোন

দিল্লীৰ এগৰাকী ছুলতানে দক্ষিণ ভাৰতৰ এক বিখ্যাত মন্দিৰৰ অপাৰ ধন-ৰত্ন আৰু লগতে প্ৰধান বিগ্ৰহটিকো লুট কৰি লৈ গ'ল।

কিছুদিনৰ অন্তত এগৰাকী মহাত্মা দিল্লীলৈ আহিল আৰু তেওঁৰ অক্লান্ত প্ৰচেষ্টাৰ ফলত ছুলতানে মন্দিৰৰ বিগ্ৰহটিক ওভোতাই দিলে।

বিগ্ৰহটিক লৈ যেতিয়া সেই মহাত্মা গাড়ীত উঠি গৈ থাকিল তেতিয়া ওৰণি লোৱা মহিলা এগৰাকীও তেওঁৰ গাড়ীখনৰ পিছে পিছে দিনৰ পাছত দিন ধৰি গৈ থাকিল। মহাত্মাই সবিস্ময়ে লক্ষ্য কৰিলে যে—ওৰণি লোৱা এই মহিলাগৰাকী হ'ল ছুলতানৰ জীয়েক। সেই দয়ালু মহাত্মাই ছুলতানৰ জীয়েকক মন্দিৰত সোমাবলৈ দিলে আৰু এওঁৰ সন্মানাৰ্থে এই হিন্দু মন্দিৰত কিছুমান বিশেষ বিশেষ মুছলমানী নিয়ম-নীতিৰ প্ৰৱৰ্তন কৰিলে।

এই মহাত্মাগৰাকীনো কোন?

[উত্তৰ ৮ পৃষ্ঠাত :

বিজ্ঞানৰ আনন্দ



পানী-পাক

কেনেকৈ কি কৰিব লাগিব ঃ

অলপীয়াকৈ, কিন্তু অবিৰত ধাৰেৰে পানী ওলোৱা নলী এডাল লোৱা। শুকান উঁণী কাপোৰৰ ওপৰত থৈ দ্ৰুতভাৱে বেলুন এটাক ঘঁহি নলীৰপৰা ওলোৱা পানীৰপৰা কেইইঞ্চিমান আঁতৰত বেলুনটো ধৰা।

কি আৰু কিয় হয় ঃ

পানীৰ সোঁত অলপ 'পাকখোৱা' যেন লাগিছে। নহয়নে ? পানী নলীৰপৰা পোনভাৱে নপৰাকৈ যেনিবা বেলুনটোৰ ফালে গতি লৈছে। লোৱা নাইনে ? তাৰ পাছতহে পোনভাৱে পানী তললৈ পৰিছে।

প্ৰকৃততে, পানীৰ এই পাৰ্শ্বগতিৰ সৃষ্টি কৰাত অতি সামান্য শক্তিৰ আৱশ্যক হয়। বেলুনৰ গাত যৎসামান্য 'বিজুলী প্ৰবাহ' সৃষ্টি হোৱাত সেই বিজুলী প্ৰবাহইহে নলীৰপৰা ওলোৱা পানীক তাৰ প্ৰতি আকৰ্ষিত কৰে আৰু পানীৰ স্বাভাৱিক গতিক বাধা দিয়ে। উণৰ কাপোৰৰ গাত ঘঁহনি খাই বেলুনৰ গাত উৎপন্ন হোৱা বিজুলী প্ৰবাহক স্থিত-বিজ্ঞানৰ মতে 'স্থিৰ বিজুলী' কোৱা হয়, আৰু এই স্থিৰ বিজুলীয়ে বেলুনৰ গাত অসংখ্য ইলেকট্ৰনৰ সৃষ্টি কৰে। অতিৰিক্ত ইলেকট্ৰন বা তড়িৎ-অনুবোৰ দ্ৰুত গতিৰে বায়ুৰ লগত মিহলি হয় আৰু পানীৰ লগতো মিহলি হ'বলৈ চেষ্টা কৰে, তাৰ পিনে অন্য বস্তু আকৰ্ষিত হয়।

ইলেকট্ৰনযুক্ত বেলুনটোক যদি পানীৰ নিচেই কাষত ধৰি থকা হয়, তেনেহ'লে পানী আনকি বেলুনটোৰ গাতো বগাই উঠিব পাৰে।

তুমি কিছুমান কাগজৰ সৰু সৰু টুকুৰা, ঘেঁহুৰ চোকোৰা আদিৰেও এনে ইলেকট্ৰন সৃষ্টি হোৱা বেলুনৰ পৰীক্ষা লৈ চাব পাৰা। চেষ্টা কৰি চোৱাচোন বাৰু ! ○

অবাক পৃথিৱীৰ আচৰিত বস্তু

আলেকজান্দ্ৰিয়াৰ আলোক-ঘৰ

আলেকজান্দ্ৰিয়া নগৰৰপৰা অলপ আঁতৰত, ফাৰ' নামৰ দ্বীপত টলেমি ফিলাদেফাছে এক বিৰাট তথা সুউচ্চ আলোক-ঘৰ অৰ্থাৎ জাহাজক বাট দেখুৱা লাইটহাউছ নিৰ্মাণ কৰিছিল। খৃষ্টপূৰ্ব তিনি শতিকাত এই আলোক-ঘৰ নিৰ্মিত হৈছিল। এই আলোক-ঘৰ মাৰ্বেল পাথৰেৰে সজা হৈছিল। ওপৰৰ মহলাবোৰ আছিল তলৰ মহলাতকৈ ক্ষুদ্ৰাকাৰ। এই আলোক-ঘৰ ৫২০ ফুট উচ্চ আছিল আৰু সাগৰবক্ষৰ ৩২ মাইল দূৰৰপৰা পৰিদৃষ্ট হৈছিল। ভূমিকম্প আৰু সাগৰে ক্ৰমান্বয়ে ইয়াক ধ্বংস কৰি পেলাইছে। বিগত ১৩ শতিকালৈকে এই আলোক-ঘৰৰ ধ্বংসারশেষ পৰিলক্ষিত হৈছিল। O



বিশ্বৰ বিৰাট ঘটনা

চিন্তাশীলতাইহে

স্মৰণাতীত কালৰপৰা প্ৰগতিশীল চিন্তাধাৰাৰ লোকসকলৰ সৈতে গোঁড়া তথা ৰক্ষণশীল চিন্তাধাৰাৰ লোকসকলৰ সংঘৰ্ষ চলি আহিছে। এই কাৰণে, খৃষ্টপূৰ্ব ছয় শতিকাৰ নগৰ-ৰাষ্ট্ৰ আথেন্সৰ যিগৰাকী মহান দাৰ্শনিকে

তাৰ যুৱকসকলক মুক্তচিন্তা কৰিবলৈ কুসংস্কাৰ, তথা অন্ধ-বিশ্বাসৰপৰা মুক্ত হ'বলৈ শিক্ষা দিছিল, ঠিক তেতিয়াই আথেন্সৰ গোঁড়াপন্থীসকলে এই গৰাকী মুক্তমনা মহান দাৰ্শনিকৰ বিচাৰত বহিল। সত্যধৰ্মী দাৰ্শনিকগৰাকীয়ে তেওঁৰ বিৰুদ্ধে উত্থাপিত প্ৰতিটো অভিযোগৰ উত্তৰ জ্ঞানৰত্ন

চিন্তাশীলক জীয়াই ৰাখে

স্তাৰে তথা ৰসিকতাৰে যথাযথভাৱে দিলে। কিন্তু পাঁচশ বিচাৰকৰ আধাতকৈ ষাঠিজন অধিক বিচাৰকে দুৰ্নীতিমূলক কাৰ্য্যকলাপৰ অভিযোগত দাৰ্শনিক-গৰাকীক মৃত্যুদণ্ডেৰে দণ্ডিত কৰিলে। হেমলক্ নামৰ বিষ পান কৰি মৃত্যুদণ্ডাজ্ঞাপ্ৰাপ্তই মৃত্যুক নিজেই আঁকোৱালি ল'ব লাগিব।

দাৰ্শনিকগৰাকীৰ শিষ্য আৰু গুণমুগ্ধ সকলে এই দণ্ডাজ্ঞাৰ কথা শুনি উচুপিবলৈ ধৰিলে। কিন্তু দাৰ্শনিকগৰাকীয়ে তেওঁলোকক ক'লে, "মৃত্যু — হয়তো একোৱেই নহয়, আৰু নহ'লে বা মৃত্যু হ'ল ইহজগতৰপৰা অন্য জগতলৈ আত্মাৰ পৰিভ্ৰমণ মাথোন···মোৰ বিদায়ৰ ক্ষণ সমাসন্ন, আমি আমাৰ মতত অটল হৈ থাকিম। মোৰ মৃত্যু হ'ব, তোমালোকে জীয়াই থাকিবা। এই জীৱন-মৰণৰ কোনটো ভাল কেৱল ঈশ্বৰেহে জানে।" সকলোটিলৈ শুভেচ্ছা জ্ঞাপন কৰি, এই মহৎ দাৰ্শনিকগৰাকীয়ে স্বহস্তে হেমলক বিষ পান কৰিলে আৰু মৃত্যুক সানন্দে আঁকোৱালি ল'লে। আথেন্সৰ নগণ্য বিচাৰকসকলে এইদৰে সেই দেশৰ তথা তদানীন্তন পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ জ্ঞানীৰ জীৱন অকালতে নাশ কৰিলে। এই দাৰ্শনিক গৰাকী আছিল ছক্ৰেটিজ।

ভাৰতৰ অতীতলৈ জুমি চাওঁ আহঁা

১. ভাৰতীয় ৰাজ্য এখনৰ প্ৰধানমন্ত্ৰী এগৰাকীয়ে তেওঁৰ ব্যক্তিগত সংগ্ৰহৰ দ্ৰব্য-সামগ্ৰীৰে এখন জাদুঘৰ স্থাপন কৰিছিল, যিখন জাদুঘৰ বৰ্তমানে ভাৰতৰ অন্যতম জাতীয় জাদুঘৰ। এই প্ৰধানমন্ত্ৰীগৰাকীৰ নাম কি ?

২. ভাৰতৰ কোন মন্দিৰ অভিযানকাৰী আৰু শাসকইতৰদ্বাৰা ছয় বাৰ ধ্বংসপ্ৰাপ্ত হৈছিল ?

৩. এই মন্দিৰৰ স্থানক অতি পবিত্ৰ বিবেচনা কৰা হয় কিয় ?

৪. কোনবোৰ পৃথিৱীবিখ্যাত গুহা মাত্ৰ এশ সত্তৰ বছৰৰ আগেয়ে আৱিষ্কৃত হৈছিল ?

৫. 'ভয়ংকৰ' বুলি খ্যাত কোন খৰাকী ৰাজকোঁৱাৰক পাছত 'ধাৰ্মিক' বুলি অভিহিত কৰা হৈছিল ?

৬. কোনখন যুদ্ধই বৌদ্ধমতৰ প্ৰসাৰ ঘটাইছিল ?

৭. 'গেটওৱে অৱ্ ইণ্ডিয়া' নামৰ কীৰ্তিস্তম্ভ ক'ত অৱস্থিত ?

৮. কেতিয়া আৰু কিহৰ কাৰণে এই কীৰ্তিস্তম্ভ নিৰ্মাণ কৰা হৈছিল ?

[উত্তৰ : ৮ পৃঃ]

আমাৰ সাধাৰণ জ্ঞানৰ সাতসোতৰ

১. দক্ষিণ মেৰুতকৈ উত্তৰ মেৰু কিমান তলত অৱস্থিত ?

২. পঢ়াৰ কাৰণে পোহৰ দিবলৈ কিমান জোনাকী পৰুৱাৰ আৱশ্যক হ'ব ?

৩. সূৰ্য্যৰ চাৰিওফালে কিমান নেজালতৰাই পাক খাই ফুৰিছে ?

৪. চাৰিচকুৱা মাছ ক'ত পৰিলক্ষিত হয় ?

৫. শ্বাৰ্লক হোমছ-ৰ ৰচয়িতা শ্বাৰ আৰ্থাৰ 'কানান ডয়েলৰ জীৱিকা কি আছিল ?

৬. সাপে গোন্ধ লয় কেনেকৈ আৰু কিয় ?

৪. কোন মহান চিত্ৰই এসময়ত এগৰাকী ৰজাৰ জন্মকক্ষক শুৱাইছিল ?

৮. ভেকুলীয়ে তাৰ মূৰ ঘূৰাব পাৰেনে ?

৯. ফৰিংৰ তেজৰ বৰণ কেনেকুৱা ?

১০. পৃথিৱীৰ আটাইতকৈ প্ৰাচীন প্ৰতিমূৰ্তি কি ?

[উত্তৰ : ৮ পৃষ্ঠাত]

১. হিমালয় পৰ্বতক কোনে ঈশ্বৰৰ আত্মা-সম্বলিত পৰ্বতৰাজ বুলি অভিহিত কৰিছিল ?

২. কোনখ নাটকত চন্দ্ৰগুপ্ত মৌৰ্য্যৰ কাহিনী পোৱা যায় ?

৩. কোনখন গ্ৰন্থত আমি হৰ্ষবৰ্দ্ধনৰ কাহিনী জানিবলৈ পাওঁ ?

৪. কোনগৰাকী ভাৰতীয় কবিয়ে বৃটিছৰপৰা 'স্যাৰ' উপাধি পায়ো প্ৰত্যাখ্যান কৰিছিল ?

৫. কোন ভাৰতীয় ভাষা সোঁফালৰপৰা আৰম্ভ কৰি বাঁওফাললৈ লিখা হয় ?

৬. উক্ত ভাষা কেনেকৈ সৃষ্টি হৈছিল ?

৭. এই ভাষাৰে লিখিবলৈ কি আখৰ ব্যৱহৃত হয় ?

৮. তুলসীদাসকৃত ৰামায়ণৰ সঠিক নাম কি ?

৯. তুলসীদাস ক'ত আৰু কেতিয়া বাস কৰিছিল ?

[উত্তৰ : ৮ পৃষ্ঠাত]

ভাৰতৰ সকলো ভাষাত এটা শব্দ

আমি শিকোঁ আহাঁ

‡ উত্তৰদিশ ‡

অসমীয়া, বাংলা, গুজৰাটি, হিন্দী, কন্নড়, মৰাঠী আৰু ওড়িয়া : উত্তৰ ; সংস্কৃত : উদীচী ; মালয়ালম : ভাট্টাকু ; তামিল : ভড়াক্কু ; সিন্ধি : উত্তাৰু ; তেলেগু : উত্তৰামু ; কাশ্মীৰি : শুমল ; পঞ্জাবী : উতৰ ; উৰ্দু : শুমল।

বিশ্বাস কৰানে ?

১. প্ৰাচীনকালৰ ভাৰতবৰ্ষ আৰু আমাৰ বৰ্তমান ভাৰত একেই ?

২. ৰঙা কাপোৰ দেখিলেই ষাঁড় ক্ষিপ্ত হয় ?

৩. সকলো চৰাৰেই বাহ সাজে ?

নহয় !

১. প্ৰাচীনকালৰ ভাৰতবৰ্ষ আছিল বহু ভাগৰ দেশ।

২. ষাড়বোৰ বৰ্ণান্ধ,, অৰ্থাৎ ৰঙৰ প্ৰভেদ নুবুজে।

৩. ফেঁচা আৰু ভাটৌবোৰে সাধাৰণতঃ গছৰ খোৰোঙত বা ভগ্নাৱশেষৰ মাজত থাকে।

উত্তৰ

তেওঁনো কোন ?

ৰামানুজ। সেই মন্দিৰটি আছিল শ্ৰীৰংগম্ মন্দিৰ।

ভাৰতৰ অতীত

১. স্যাৰ ছালাৰ জং, হায়দ্ৰাবাদৰ নিজামৰ প্ৰধানমন্ত্ৰী।

৩. সোমনাথ মন্দিৰ।

৩. কিয়নো এই মন্দিৰ প্ৰভাসত অৱস্থিত—য'ত শ্ৰীকৃষ্ণই দেহৰক্ষা কৰিছিল বুলি জন-বিশ্বাস।

৪. অজন্তা আৰু ইলোৰা।

৫. অশোক।

৬. কলিংগ-যুদ্ধ। এই যুদ্ধই অশোকৰ হৃদয় পৰিৱৰ্তন কৰিছিল। তেওঁ বৌদ্ধধৰ্ম গ্ৰহণ আৰু প্ৰচাৰ কৰিছিল।

৭. বম্বেস্থিত এপ'ল' বাণ্ডাৰত।

৮. ১৯১১ চনত ৰজা ষষ্ঠ জৰ্জ আৰু ৰাণী মেৰীলৈ আদৰণি জনাবলৈ। ০

সাধাৰণ জ্ঞান

১. ২৭৯৯ মিটাৰ।

২. এডজন জোনাকী পৰুৱা হ'লেই হ'ব।

৩. দহ কৌটিতকৈয়ো অধিক সংখ্যক

৪. মধ্য আমেৰিকাত।

৫. চিকিৎসা।

৬. জিভাৰে।

৭. মোনা লিছা। ফৰাচীদেশৰ ৰজা ফ্ৰান্সিছ-১-এ তেওঁৰ জন্মকক্ষত থৈছিল।

৮. নোৱাৰে, কিয়নো—ভেকুলীৰ ডিঙি নাই।

৯. বগা।

১০. ক্ষিংক্স, কল্পিত দানৱ, যাৰ মুখ তিৰোতাৰ আৰু শৰীৰ সিংহৰ দৰে।

সাহিত্য-পুৰাণ

১. কালিদাস।

২. বিশাখদত্ত-ৰচিত মুদ্ৰাৰাক্ষসম্।

২. বাণভট্ট-ৰচিত হৰ্ষচৰিত।

৪. ৰবীন্দ্ৰনাথ ঠাকুৰ।

৫. উৰ্দু।

৬. ফাৰ্ছী আৰু হিন্দীৰপৰা। তুৰ্কী ভাষাৰো কিঞ্চিত প্ৰভাৱ নথকা নহয়।

৭. ফাৰ্ছী।

৮. ৰামচৰিত-মানস।

৯. বাৰাণসীত। তেওঁৰ জন্মকাল ১৫৩২ চন, আৰু মৃত্যুকাল ১৬২৩ চন। ০

নেহৰু-উপাখ্যান-৩

দতুনৰ সন্ধানত জৱহৰলাল হ্যাৰোৱপৰা কেমব্ৰিজলৈ গ'ল। এয়া আছিল ১৯০৭ চনৰ ঘটনা, আৰু তেতিয়া তেওঁ সোতৰ বছৰীয়া মাথোন। তেওঁ মূলতঃ প্ৰকৃতি-বিজ্ঞান [নেচাৰাল ছায়েন্স] অধ্যয়ন কৰিছিল, যদিও পাঠ্য বহিৰ্ভূত ইতিহাস, ৰাজনীতি আৰু অৰ্থনীতি আদিলৈকো ৰগভীৰ আকৰ্ষণ আছিল।

তেওঁ ভাৰতবৰ্ষৰ বিষয়ে সংবাদলৈ আগ্ৰহৰে বাট চাই থাকিছিল। ভাৰতৰ বিশেষ দুগৰাকী নেতাৰ স্বদেশী আন্দোলনৰ আদৰ্শৰ প্ৰতি তেওঁ আকৃষ্ট হৈ পৰিছিল। এই দুগৰাকী নেতা তেওঁৰ পিতৃদেৱ মতিলাল নেহৰুৰ দৰে মধ্যপন্থী নেতা মাথোন নাছিল, তেওঁলোক আছিল প্ৰকৃত বিপ্লৱত বিশ্বাসী।

কেমব্ৰিজত থকা ভাৰতীয় লোকসকলে 'মজলিছ' নামৰ এখন সামাজিক অনুষ্ঠান পাতিছিল। এই 'মজলিছ'ত ৰাজনীতিৰ চৰ্চা কৰা হৈছিল, যদিও সক্ৰিয়ভাৱে নহয়। মজলিছৰ এইবোৰ ৰাজনীতিক সভা-সন্মিলনত জৱহৰলালেও ভাগ লৈছিল; কিন্তু তেওঁ কেতিয়াও একো নকৈছিল তাত। তেওঁ প্ৰকৃতিগতভাৱে আছিল অলপ লাজকুৰীয়া স্বভাৱৰ।

১৯০৯ চনত দেউতাক মতিলালৰ লগত জৱহৰে ইঅ'ৰোপৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰিছিল। বাৰ্লিনত তেওঁ তেওঁৰ জীৱনত প্ৰথম বাৰৰ বাবে এখন বিমান বা উৰাজাহাজ দেখা পালে। এই উৰাজাহাজখন—যিজন ব্যক্তিৰ নামত উৰাজাহাজ-নামকৰণ কৰা হৈছিল—সেই কাউন্ট্ জেপেলিনো সেই উৰাজাহাজখনত উঠি তালৈ আহিছিল। তদানীন্তন জাৰ্মানিৰ ৰজা কাইজাৰে কাউন্ত জেপেলিনলৈ উষ্ণ আদৰণি জনাইছিল।

১৯১০ চনত, কেমব্ৰিজৰপৰা ডিগ্ৰি লোৱাৰ পাছত, জৱহৰলাল তেওঁৰ এগৰাকী ইংৰাজ বন্ধুৰ লগ লাগি প্ৰমোদ-ভ্ৰমণলৈ ওলাল নৰওৱেলৈ। দুয়ো এখন নৈত গা ধুবলৈ গৈছিল। নৈৰ হিমচেঁচা পানীয়ে জৱহৰলালক এক বিপদসংকুল ঠাইলৈ উটুৱাই লৈ যাবলৈ ধৰিলে; কিন্তু তেওঁৰ ইংৰাজ বন্ধুৱে তেওঁক ৰক্ষা কৰিলে। তেওঁ কাণে কাণ মাৰি সাৰিল।

তাৰ পাছত জৱহৰলালে লণ্ডনত আইন অধ্যয়ন কৰি থাকিল। ১৯১২ চনত তেওঁ বাৰিস্টাৰ হৈ ভাৰতলৈ উলটিল। পিতৃ মতিলালে এই কথা ভাবি সুখ পোৱা হ'ল যে তেওঁৰ পুত্ৰ এজন উচ্চ-শ্ৰেণীৰ আইনজীৱি হিচাপে হৈ উঠিব তেওঁৰ যথাযোগ্য উত্তৰাধিকাৰী।

ভাৰতলৈ উলটি অহাৰ পাছত জৱহৰলালে ভাৰতীয় ৰাজনীতিৰ সৈতে সক্ৰিয়ভাৱে সাঙোৰ খাই পৰিল। ১৯১২ চনৰ বৰদিনত বাঁকিপুৰত অনুষ্ঠিত কংগ্ৰেছৰ অধিবেশনত তেওঁ যোগদান কৰিছিল। তাত যিগৰাকী নেতাই জৱহৰলালৰ মনত দ সাঁচ পেলাইছিল, তেওঁ আছিল গোপালকৃষ্ণ গোখালে।

জৱহৰলালে হাই ক'ৰ্টত আইনজীৱি হিচাপে যোগ দিছিল কিন্তু তাত তেওঁৰ মন নবহিল। তেওঁ মাজে-মধ্যে চিকাৰলৈ ওলাইছিল; কিন্তু পশু-পক্ষী চিকাৰ কৰাৰ ইচ্ছা আচলতে তেওঁৰ নাছিল। এবাৰ চিকাৰলৈ ওলাই তেওঁ এটি মৃগৰী পহুক আহত কৰিছিল, যিটো পহু দৌৰি আহি তেওঁৰ ভৰিৰ ওচৰত লুটি খাই পৰিছিল। এই ঘটনাই তেওঁৰ চিকাৰৰ বাসনাক চিৰকালৰ বাবে লুপ্ত কৰিছিল!

১৯১৬ চনৰ বৰদিনত, লখ্‌নৌত কংগ্ৰেছৰ অধিবেশনকালত জৱহৰলালে জীৱনত প্ৰথমবাৰৰ বাবে গান্ধীজীৰ সৈতে সাক্ষাৎ কৰিছিল। তেতিয়া গান্ধীজী আছিল যুৱ-সমাজত অতি বিখ্যাত, কিয়নো, দক্ষিণ আফ্ৰিকাত ভাৰতীয়সকলৰ প্ৰতি আচৰণৰ বিৰুদ্ধে অতি দৃঢ়তাৰ সৈতে তেওঁ যুঁজিছিল।



জৱহৰলালক আন এগৰাকী নেত্ৰীয়ে বৰকৈ প্ৰভাৱিত কৰিছিল। তেওঁ আছিল সৰোজিনী নাইডু। সৰোজিনীয়ে বিভিন্ন অনুষ্ঠানত বিভিন্ন বিষয় উপলক্ষ্যে এলাহাবাদত ভাষণ দিছিল। চাওঁতে চাওঁতে জৱহৰলালো তেতিয়াৰ দিনৰ এগৰাকী জাতীয়তাবাদী হৈ উঠিল।

১৯১৬ চনৰ বসন্ত পঞ্চমীৰ দিনা, দিল্লীত, জৱহৰলালৰ সৈতে কমলাৰ বিয়া পতা হয়। বিয়াখন ভাৰতীয় ঐতিহ্যমতেই পতা হৈছিল, আৰু ধুমধামো হৈছিল যথেষ্ট। বিয়াৰ পাছত সস্ত্ৰীক জৱহৰলাল তেওঁৰ উপবিপুৰুষসকল যিঠাইপৰা আহিছিল, সেই কাশ্মীৰলৈ গ'ল।





এবাৰ জৱহৰলালে তেওঁৰ খুৰাকৰ ল'ৰা এজনক লগত লৈ লাডাখ অঞ্চলত ঘূৰি ফুৰোঁতে, অমৰনাথ নিচেই ওচৰত থকা বুলি ভাবি এটা পাহাৰ বগাওঁতে জৱহৰলাল পাহাৰৰপৰা পিছল খাই পৰিল। তেওঁ বিপুল বৰফৰ মাজত পোত খাই পৰিলহেঁতেন ; কিন্তু আন ল'ৰাটোৱে ৰছীডাল টানকৈ ধৰি থকাত সেইবাৰলৈ সেই ভয়ংকৰ বিপদৰপৰা কথমপি ৰক্ষা পৰিছিল। [আগলৈ

গা চাই গামোছা

ইয়াকে বোলে অদৃষ্টৰ আখৰ। নহ'লেনো কামৰ কুৰীয়া খাবৰ যম পূৰ্ণই প্ৰায় কেও কিছু নোহোৱা লতীয়া পাণহেন দূৰৰো দূৰ আত্মীয়ৰো আত্মীয় মধুপুৰৰ ক'ৰ-কোনোবাৰ ধনৰ গৰাকী হৈ পৰেনে? পৰিব পাৰেনে? আৰু পালে যে পালে—এশ এহেজাৰ দুহেজাৰ নহয়—নগদে নগদ পঞ্চাছটি হেজাৰ! পাই গেৰা-খোৱা পূৰ্ণৰ গু-জীৱনেই হৈ উঠিল গপাল জীৱন।

নগদে পঞ্চাছ হেজাৰ লৈ যেতিয়া পূৰ্ণই ঘৰমুৱা হৈছিল, বাটত নাৰায়ণ নামৰ মানুহ এজনে তাক কৈছিল, "ভালেই হ'ল—আপোনাৰ দেখা পালোঁ। আপোনা-লোকৰ গাঁৱৰে পুলকানন্দক যদি কথা এটা মোৰ হৈ কৈ দিয়ে—মই আৰু নগ'লেও হয়। কথাটো হ'ল—আপুনি পুলকানন্দক ক'ব যে তেওঁৰ ছোৱালী-জনীক আমি বোৱাৰী কৰি ল'বলৈ মান্তি হৈছোঁ। তেওঁ অহা মাহৰ পোন্ধৰৰ ভিতৰত বিয়াৰ দিন-খেণ ঠিক-ঠাক কৰি থয় যেন।"

পূৰ্ণই তাৰ পঞ্চাছহেজাৰ মাটিৰ তলত পুতি থৈ পুলকানন্দৰ ঘৰ ওলালগৈ। গৈ পুলকানন্দক ক'লে, "হা! মোৰমান দুৰ্ভগীয়া আছেনো কোন আন! দূৰৰো দূৰ আত্মীয়ৰপৰা যিওবা পালোঁ পঞ্চাছটি হেজাৰ — তাৰেই কঢ়িয়াই আনিলোঁ জীৱনৰ বেজাৰ!"

"কি হ'ল?" পুলকানন্দই পূৰ্ণক আচৰিত হৈ সুধিলে।

"কি নহ'ল—তাকেই কোৱা। পঞ্চাছ হেজাৰ লৈ আহোঁতে সেইখিনিৰ লগত থকা মোৰ নিজৰ এহেজাৰো ডকাইতে কাঢ়ি



লৈ গ'ল। এতিয়া মই বাটৰ ভিকহু। বা তাতোকৈ অধম।"

শুনি পুলকানন্দ অলপ তাপ মৰা যেন হ'ল। তাৰ পাছত তেওঁ অতি লাহেকৈ আৰম্ভ কৰিলে, "চোৱা, যি হ'ল বুলি কৈছা—বেয়া তো হয়েই। কিন্তু মোৰ মনত এটা প্ৰশ্নই কাছৰ মূৰটোৰ দৰে মূৰ উলিয়াইছে।কথা হ'ল—তোমাৰ সৈতে মোৰ তো সিমান একো হৰিল নাই গৰিলও নাই। তেনেস্থলত — মোকনো কৈছা কিয় এইবোৰ কথা!"

এই কথাৰ উত্তৰত, হঠাৎ মনত পৰাৰ দৰে পূৰ্ণই ক'লে, "এস্! আচল কথাটোকে কোবা নহ'ল। নাৰায়ণে তোমাৰ ছোৱালীজনীক বোৱাৰী কৰিব, তোমাক অহা মাহৰ পোন্ধৰৰ ভিতৰত দিন-খেণ খাটাং কৰিবলৈ কৈছে।"

পুলকানন্দই ক'লে, "ইমান আনন্দৰ খবৰটো দিলা—পিছে হেৰি হ'ল নহয়—কি বোলেনে—তোমাৰনো মান ধৰোঁ কিহেৰে?

"যদি এয়ে তোমাৰ মন—তেনেহ'লে—দিয়া ধাৰলৈ সামান্য ধন। মোক হেজৰামান দিলেই হ'ব ধাৰলৈ. শুজিম অহা বছৰলৈ।" পূৰ্ণই ক'লে।

"ধন মাত্ৰ এহেজাৰ শুজিবলৈ এবছৰ! কি কোৱাঁহে?"

"শুনা পুলক, মই কিছুখিনি মাটি কিনি খেতি-বাতি কৰিম। আৰু তাৰ পাছত—সেই খেতিৰ ওপজ বেচি ধাৰ পৰিশোধ কৰিম।" পূৰ্ণই ক'লে।

"যদি খেতি-বাতি ভাল নহয়—? কেনেকৈ শুজিবা তেতিয়া আৰ-তাৰ ধাৰ?" পুলকে সুধিলে।

"মোৰ ঘৰটোকে বেচি ধাৰ পৰিশোধ কৰিম। ধকুৰাটো হৈ থাকি বকুৰা হোৱাৰ ইচ্ছা মোৰ সমূলি নাই।" পূৰ্ণই পুলকানন্দক পানী পানীকৈ বুজাই দিলে তাৰ আঁচনিৰ কথাবোৰ।

ঘৰ বেচি ধাৰ পৰিশোধ কৰাৰ কথা শুনি এক অদ্ভুত আশাৰে বহুতেই পূৰ্ণক টকা ধাৰলৈ দিলে। পূৰ্ণয়ো সেই টকাৰে প্ৰকৃততেই মাটি কিনি চহ কৰি থাকিল।

খেতি ভালেই হৈছিল, আৰু ওপজ বেচি পূৰ্ণই তাৰ মূঠ ধাৰৰ চাৰিভাগৰ তিনিভাগ পৰিশোধ কৰিছিল। দুবছৰৰ আগতেই তাৰ ধাৰ-ধুৰ পৰিশোধ হৈ গ'ল। পূৰ্ণৰ পূৰ্ণ পয়োভৰ, আৰু বিশেষকৈ তাৰ কৰ্মোদ্যোগ দেখি এজন খেতিয়কে নিজৰ ছোৱালীজনীক পূৰ্ণক দিলে।

বিয়াৰ কিছুদিনৰ পাছত পূৰ্ণৰ ঘৈণীয়েক গৌৰীয়ে তাক সুধিলে, "তোমাক বিয়া কৰাৰ মন মোৰ বহুদিনৰ পৰাই আছিল। আনকি, দেউতাৰ ওচৰত মই মোৰ ইচ্ছাৰ কথা কৈছিলোঁও। যদিও দেউতাই তোমাৰ নিচিনা দুখীয়া এজনৰ লগত দিয়াত হেঁহো-নেহো কৰিছিল। কিন্তু—তুমি পঞ্চাছ হেজাৰৰ মোনা এটি পোৱাত তোমাৰো যেনেকৈ সোঁত সলনি হ'ল, দেউতাৰো মত সলনি হ'ল। তাৰ পাছত আকৌ তেওঁ বিবুধিত পৰিল—যেতিয়া তোমাৰ টকা ডকাইতে নিলে বুলি অহুকাণে-পছুকাণে শুনিলে। তাৰ পাছত তেওঁ শুনিলে তোমাৰ জীৱনৰ নতুন পথৰ কথা, আৰু তেতিয়া মোক তোমাৰ হাতত গতাই দিয়াৰ কথা থাটাং কৰিলে। যা হওক—ইমানলৈকে সকলো হৈ গ'ল; কিন্তু মোৰ মনত এটি খু-দুৰনি থাকি গ'ল।"

"কি?" পূৰ্ণই পোলা-কটাটিৰ দৰে সুধিলে গৌৰীক।

"ঘৰটো তোমাৰ এতিয়াও যেনেকৈ আছে, আগতেও আছিল। মন কৰিলে মাটি তুমি আগতেও কিনিব পাৰিলাহেঁতেন। 'নিকিনিলা কিয় আগতে? ডকাইতে ধন কাঢ়ি লৈ যোৱাৰ পাছত কিয় মন হ'ল? মই একো ঠাৱৰ কৰিব পৰা নাই তোমাৰ কথা-কাণ্ডৰ মাথা-মুণ্ড।"

খন্তেকমান দৰক মাৰি থকাৰ অন্তত

পয়ালগা পূৰ্বই পৰিবাৰক ক'লে, "শুনা, আচল কথা কোনেও নাজানে। কিন্তু তুমি হ'লা কি বোলে—খেৰ-শনী নহয়, গলৰ মণি ঘৈণী। গতিকে — তোমাক ক'ব পায়, আৰু লাগে। এই পঞ্চাছ হেজাৰ থকা বুলি জনাহেঁতেন পুলকানন্দই তাৰ ফেঁচা-মুঙী ছোৱালীজনীক মোকে গতাবলৈ — লাগিলে সেই গাঁতিয়াল ডাঙৰীয়াকো মাতিলেহেঁতেন। মই তো কোনো নামকৰা নহওঁ, বৰঞ্চ গেৰা-খোৰটো বুলিহে মানুহে জানিছিল। কিন্তু হঠাৎ ধনী হোৱাৰ বিপদে যাতে মোক বেঢ়ি নধৰে, কোনেও যাতে লেং মাৰি ঠেং নাভাঙে তাৰ বাবেই তেনেকৈ মিছাৰ ভঁৰাল সাজিছিলোঁ।"

অবাক হৈ গৌৰীয়ে ক'লে, "তোমাৰ দূৰদৃষ্টি আছে—ক'বই লাগিব। পিছে—তুমি যে আৰ-তাৰপৰা ধাৰ লৈছিলা, সেই পঞ্চাছহেজাৰৰেপৰাই শুজিলানে?"

"নহয়, পৰিশ্ৰম কৰিয়েই পৰিশোধ কৰিলোঁ। সেই পঞ্চাছ হেজাৰ মই আৰু হাতেৰেও চুই চোৱা নাই। অৱশ্যে—ইমান টকা থাকোঁতেও মই কিয় ধাৰ কৰিলোঁ—নিশ্চয় তুমি সুধিব পাৰা। প্ৰথম কথা—মই হঠাৎ ধনী হোৱাটো যাতে কোনেও ধৰিব নোৱাৰে তাৰ বাবেহে ধাৰ কৰিলোঁ। দ্বিতীয়তে—টকা নথকা-সত্বেও মোক কোনেও মোৰ শ্ৰমলৈ সদিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰি ছোৱালী দিয়েনে নিদিয়ে—তাৰো পৰীক্ষা ল'লোঁ। মই ঋণী হৈছিলোঁ ঠিকেই; কিন্তু ঋণে মোক কিছু গুণীও কৰি তুলিছিল। ঋণ পৰিশোধ কৰিম—এই প্ৰতিজ্ঞায়েই মোক কঠোৰ পৰিশ্ৰমলৈ উদ্বুদ্ধ কৰিছিল, সাহস যোগাইছিল; আৰু শ্ৰমলৈ মোৰ নিষ্ঠা দেখিহে তোমাক মোক দিছিল।"

"তোমাক নিচিনা ঋণী-গুণী স্বামী পাই মই ধইন্ মানিছোঁ।" গৌৰীয়ে গা চাই গামোছা পিন্ধালে।



১৭

ৰুক্মিয়ে

তেওঁৰ সুৰম্য প্ৰাসাদত

জুৱা খেলাৰ আয়োজন কৰিলে।

বলৰামক জুৱা খেলিবলৈ উৎসাহৰে সৈতে

আহ্বান কৰা হ'ল। আৰু কাল মাত্ৰো বিলম্ব

নকৰি বলৰামো জুৱাখেলাৰ নিৰ্দিষ্ট ঠাই পালেহি।

সম্ভাষণ বিনিময়ৰ পাছত জুৱা খেলা আৰম্ভ হ'ল। প্ৰথমেই

বলৰামে দহ সহস্ৰ স্বৰ্ণমুদ্ৰা হাৰি গ'ল। আকৌ বাজী মাৰিলে,

আৰু আকৌ হাৰিলে। এইদৰে একে একে পাঁচ বাৰ পৰাজিত

হোৱাৰ অন্তত হঠাৎ বলৰামে যেতিয়া কৌটি মুদ্ৰা এবাৰতে জিকি

ল'লে, তেতিয়া ৰুক্মিয়ে নিজৰ এই পৰাজয় মানি ল'বলৈ অস্বীকৃত হ'ল

আৰু নিজকে বিজয়ী বুলি অতি অন্যায়ভাৱে চিঞৰত গগন ফালিবলৈ ধৰিলে।

ৰুক্মিৰ এনে ঘোৰতৰ অন্যায় তথা আচৰিত আচৰণত বলৰাম বেবুৰা লাগিল।



ৰুক্মিৰ বন্ধু কলিংগৰ ৰজাই ৰুক্মিক সমৰ্থন কৰি ক'লে, "ৰুক্মিয়ে হক কথাকে কৈছে ." এই বুলি কৈয়েই বাহিৰ ওলাই গৈ আলুলৈকে উলিয়াই সে সেকৈ হাঁহিবলৈ ধৰিলে।

সেই সে সেকৈ হাঁহিবলৈ ধৰা দেখি ক্ষুব্ধ ক্রুদ্ধ বলৰামে কলিংগৰাজক ক'লে. "কেইবাৰমান পৰাজিত হোৱাৰ অন্তত এইবাৰ মই বাজীত বিজয়ী হৈছোঁ। ইয়াত উপস্থিত থকা প্ৰতিজনেই কথাটো জানে। তথাপি ৰুক্মিক বিজয়ী বুলি ঘোষণা কৰাৰ অৰ্থ কি ?"

বলৰামৰ কথাৰ উত্তৰত কোনেও একো নক'লে। কিছুমান তলমূৰ হ'ল। কিন্তু ৰুক্মিয়ে সদম্ভে বলৰামক ক'লে, "মোৰ বিজয় সম্পৰ্কে নিশ্চয় কাৰো মনত কোনো সন্দেহ নাই। এতিয়া আৰু নিৰৰ্থক বেবেৰিবাং বকি লাভ নাই।"

শুনি বলৰামৰ খং দ্বিগুণ চৰিল। এখন্তেক মনে মনে থকাৰ পাছত কিবা ক'বলৈ লোৱাৰ লগে লগেই দৈৱবাণী শুনা গ'ল : য'তে যি আছা, মনপুতি শুনা। ৰুক্মিয়ে মিথ্যা কথা কৈছে। তোমালোকে ৰুক্মিৰ এনে লেতেৰা মিথ্যাক সত্য বুলি মানি লৈছা কিয় ? মিথ্যা কথন পাপ, মিথ্যা শ্ৰৱণো পাপ, আৰু পাপৰ শাস্তি যে অতিশয় কঠোৰ—সেই কথা তোমালোকে নাজানানে ?

কিন্তু দৈৱবাণী শুনিও কাৰো কোনো চেতনা ঘূৰি নাহিল। অকাৰণ অপমান সহিব নোৱাৰি বলৰামে ভুকুৱাই কলিংগৰাজৰ মুখৰপৰা তেজ উলিয়াই দিলে। তেতিয়া কেইজনমান ৰজাই বলৰামৰ পিনে আগুৰাই আহিব ধৰিও হোঁহকা দিলে ? দুঃসাহসী যি দুই-চাৰি বলৰামলৈ খেদি আহিছিল, বলৰামে সিহঁতক যমৰ আলহী কৰি পঠালে। তাৰ পাছতো কিছুমান আগুৰাই গৈছিল : কিন্তু চাওঁতে চাওঁতে সিহঁতেও ফৰিংছিটিকা দিলে ।

তাৰ পাছত বলৰামে কৃষ্ণক ঘটনাৰ কথা সবিস্তাৰে ক'লেগৈ। সকলো কথা ধৈৰ্য্যেৰে শুনাৰ অন্ততো কৃষ্ণই একো মন্তব্য নকৰিলে। কিন্তু অন্যান্য যাদৱহঁতে (গুৱাল-গৰখীয়া) বলৰামক তেওঁৰ সাহসৰ বাবে উচ্ছ্বসিত ভাৱে প্ৰশংসা কৰিলে।

তাৰ পাছত সকলো দ্বাৰকালৈ উভতি গ'ল। বলৰামো যে যথেষ্ট শক্তিমন্ত তথা তেওঁৰ পৰাক্ৰমো যে সীমাহীন, সেই কথাত কাৰো সন্দেহ নাথাকিল। দহ সহস্ৰ হস্তীৰ সমান শক্তিসম্পন্ন ভীমে বলৰামৰ ওচৰত শিক্ষা গ্ৰহণ কৰিছিল। এটা কথাত ভীম সম্পূৰ্ণ নিচিন্ত আছিল যে— কোনোবা দিনা বলৰামৰ বিৰুদ্ধে যুদ্ধ কৰিবলগা হ'লে তেওঁৰ বিজয়ী হোৱাৰ সম্ভাৱনা প্ৰায় নায়েই।

এবাৰ কৃষ্ণৰ পুত্ৰ শাম্বই দুৰ্য্যোধনৰ জীয়েক লক্ষণাক ভাল পাই পলুৱাই নিছিল। কিন্তু কৌৰৱহঁতে শাম্বক খেদি গৈ ধৰি হস্তিনাপুৰলৈ লৈ আহিল। শাম্বক কাৰাগাৰত ভৰাই থোৱাৰ বাতৰি পাই বলৰামক পোনে পোনেই হস্তিনাপুৰলৈ লৈ গ'ল, আৰু শাম্বক এৰি দিবলৈ কৌৰৱহঁতক অনুৰোধ কৰিলে। কিন্তু কৌৰৱহঁত এই প্ৰস্তাৱত অসম্মত হ'ল।

বলৰামে হল অৰ্থাৎ নাঙল দাঙি ধৰিলে যে বিপদ হ'ব—কৌৰৱহঁতে সেই কথা নজনা নাছিল। গতিকে--অসম্মতি প্ৰকাশ কৰা সত্ত্বেও পাছত ভাবি-গুণি শাম্বক কাৰাগাৰপৰা মুক্ত কৰি বলৰামৰ হাতত সঁপি দিলে।

আৰু লগতে—বলৰামৰ শিষ্য হ'বলৈ দুৰ্য্যোধনে বলৰামক খাটিলে। এইদৰে দুৰ্য্যোধনক দেখি, বহুতেই বলৰামৰ শিষ্যত্ব গ্ৰহণ কৰাত হস্তিনাপুৰৰ একাংশৰ শ্ৰীবৃদ্ধি ঘটিল। কিন্তু অন্য অংশ একেদৰেই থাকি গ'ল। পৰৱৰ্তীকালত দুৰ্য্যোধনে বলৰামক গুৰু হিচপে গ্ৰহণ কৰাৰ ফলত দুৰ্য্যোধন বহু যুদ্ধত বিজয়ী হৈ খ্যাতি লাভ কৰিছিল।



এই কালত ৰাক্ষসলোকত নৰক বা নৰকাসুৰ নামৰ ৰাক্ষস এজনৰ প্ৰচণ্ড প্ৰতাপ দেখা গ'ল। ৰাক্ষস নৰকৰ ৰাজত্বৰ ৰাজধানীৰ নাম আছিল প্ৰাগ্‌জ্যোতিষপুৰ। তেওঁ আছিল ভূদেৱীৰ পুত্ৰ। তেওঁ ব্ৰহ্মাৰ-পৰা বৰ লাভ কৰিছিল। এই বৰ লাভৰ ফলত কোনো দেৱতায়েই তেওঁক পৰাজিত কৰিব পৰা নাছিল। কেৱল ৰাক্ষস-লোকতে নহয়, তিনিও লোকতে তেওঁৰ প্ৰতাপ-পৰাক্ৰম আছিল প্ৰচণ্ড।

এবাৰ নৰকে ইন্দ্ৰৰ ৰাজসভালৈ গৈ ইন্দ্ৰক সিংহাসনচ্যুত কৰাৰ বাবে ইন্দ্ৰক যুদ্ধলৈ আহ্বান কৰিছিল। নৰকৰ আহ্বান ইন্দ্ৰই এৰাব নোৱাৰিলে। ইন্দ্ৰই বজ্ৰায়ুধেৰে ৰাক্ষসৰাজ নৰকাসুৰৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ ধৰিলে। ইন্দ্ৰৰ হৈ ৰণ দিয়াসকলৰ ভিতৰত আছিল যম, বৰুণ, কুবেৰ, আৰু লগতে অন্যান্য বছা বছা সৈন্য।

আৰু—নৰকাসুৰৰ লগত আছিল তিনি জন বিখ্যাত বীৰ ৰাক্ষস। এই তিনিজন যথাক্ৰমে—হয়গ্ৰীৱ, নিশুম্ভ, আৰু মুৰাসুৰ। আৰু লগতে আছিল কিছুমান সৈন্য। বৰুণে হয়গ্ৰীৱৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ ধৰাত বৰুণৰ মূৰ ফাটি তেজ নিগৰিবলৈ ধৰিলে আৰু অচেতন হৈ বাগৰি পৰিল। চেতনা ঘুৰাই পোৱাৰ পাছত বৰুণে লক্ষ্য কৰিলে যে—তেওঁৰ এজন সৈন্যও আৰু অৱশিষ্ট নাই। তেতিয়া উপায়ন্তৰ নেদেখি বৰুণ যুদ্ধক্ষেত্ৰ এৰি পলাল। একেদৰেই নিশুম্ভৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ গৈ যম, আৰু মুৰাসুৰৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ ধৰোঁতে কুবেৰ বেয়াকৈ আহত হৈ কথমপি পলাই সাৰিল। যম, বৰুণ আৰু কুবেৰো পলাই পত্ৰং দিয়াৰ পাছত ইন্দ্ৰয়ো ৰণত ভংগ দিলে, আৰু তেৱোঁ এসময়ত পলাল।

তাৰ পাছত ৰাক্ষসৰাজ নৰকাসুৰ অমৰাৱতীলৈ গ'ল, আৰু তেওঁ যে দেৱলোক জয় কৰিছে—সেই কথা সগৌৰৱে

Sankar

তথা দন্তালিৰে ঘোষণা কৰিলে।

আৰু তাৰ পাছত—হঠাৎ এদিন ইন্দ্ৰৰ সিংহাসনত বহি ৰাক্ষস নৰকাসুৰে উৰ্বশীক মতাই অনাই ক'লে, "মই সৰ্বলোকতে নিজৰ ক্ষমতাৰ পৰিচয় প্ৰদান কৰিছোঁ। এতিয়াৰপৰা তুমি মোৰ আগত নৃত্য প্ৰদৰ্শন কৰিবা। দেৱলোকৰ অধিপতিৰ আগত নৃত্য প্ৰদৰ্শন তোমাৰ কৰ্তব্য।"

নৰকৰ কথাৰ উত্তৰত উৰ্বশীয়ে ক'লে, "ঋষিসকলে যদি আপোনাক মানি লয়, তেনেহ'লে — মই আপোনাৰ ইচ্ছা নিশ্চয়েই পূৰণ কৰিম।"

উৰ্বশীৰ এই কথা শুনি নৰকে আঠ সহস্ৰ দেৱকন্যাক একেলগ কৰিলে। সেই সেই দেৱকন্যাসকলৰ মাজত বিশ্বকৰ্মাৰ কন্যা অদিতিও আছিল।

ৰাক্ষসৰাজ নৰকৰ নিৰ্দেশক্ৰমে তেওঁৰ অনুচৰহঁতে বিভিন্ন লোকৰপৰা ধন-সম্পদ সংগ্ৰহ কৰি আনিবলৈ ধৰিলে। কেৱল ধন-সম্পদেই নহয়, সিহঁতে কেই হাজাৰমান গাভৰুকো লুট কৰি অপহৰণ কৰি লৈ আহিছিল। এই গাভৰুসকলৰ মাজত কিছুমান কেৱল সুন্দৰীয়েই নাছিল, আছিল জ্ঞানী আৰু গুণৱতী।

প্ৰাগ্‌জ্যোতিষপুৰ নগৰৰ চাৰিওফালে আছিল মুৰাসুৰ, হয়গ্ৰীৱ, নিশুম্ভ আৰু পঞ্চজন। মুৰাসুৰৰ কেইবাসহস্ৰো সন্তান আছিল। এই সন্তানহঁতৰ কটকটীয়া পহৰাৰ ফলত কোনো শত্ৰুৰ পক্ষে মুৰাসুৰক আক্ৰমণ কৰা সম্ভৱ নহৈছিল।

ৰাক্ষসৰাজ নৰকাসুৰে ভূলোকতো নিজৰ প্ৰভাৱ-প্ৰতিপত্তি বিস্তাৰ কৰিবৰ মনেৰে ভূ-লোকলৈ বুলি ওলাল। নৰকাসুৰে বিভিন্ন অঞ্চললৈ ঘূৰি ঘূৰি যজ্ঞ নষ্ট কৰি ব্ৰাহ্মণসকলক হত্যা কৰিবলৈ ধৰিলে। কেৱল ব্ৰাহ্মণসকলকে নহয়, অন্যান্য ধৰ্ম বিনষ্ট কৰিবলৈ সেই ধৰ্মাৱলম্বীসকলৰ ওপৰতো যথেষ্ট অত্যাচাৰ কৰি থাকিল।

এইদৰে গৈ গৈ এঠাইত বহু সংখ্যক ঋষিয়ে যজ্ঞ কৰি থকা নৰকাসুৰে দেখা পালে। এওঁলোকক যজ্ঞ কৰা দেখি নৰকাসুৰৰ মনত পৰিল উৰ্বশীৰ কথা।

নৰকাসুৰে ঋষিগণক সুধিলে, "এই যজ্ঞ কাৰ নামত পতা হৈছে?"

এগৰাকী ঋষিয়ে ক'লে, "বেদৰ সূত্ৰমতে আমি দেৱৰাজ ইন্দ্ৰৰ নামত এই যজ্ঞ পাতিছোঁ।"

ঋষিৰ কথা শুনি নৰকাসুৰে দমদমাই উঠি ক'লে, "বৰুণ, যম, কুবেৰ আৰু ইন্দ্ৰও যে মোৰ হাতত বেয়াকৈ পৰাজিত হৈ পলাই গৈছে—সেই কথা নাজানানে? কোনো এজনো মোৰ বিক্ৰমৰ আগত তিষ্ঠিব পৰা নাই। ভালে ভালে কৈছোঁ—পূজিছা যদি মোৰ নামত পূজা দিয়া।"

নৰকাসুৰৰ কথা শুনি আন এগৰাকী ঋষিয়ে ক'লে, "এয়া বৰ ন্যায় কথা নহ'ল। ইন্দ্ৰ হ'ল সমগ্ৰ লোকৰ পালন-কৰ্তা। তুমি হ'লা অসুৰ। তোমাক আমি একোপধ্যে পূজিব নোৱাৰিম।"

নৰকাসুৰে অতিপাত ক্ৰুদ্ধ হৈ, ঋষিবৰ্গক গালিৰে তেভূত কৰি, নিজৰ অনুচৰ-হঁতক ক'লে, "তোমালোকে এই যজ্ঞ এতিয়াই ধ্বংস কৰাঁ, এই ঋষিমখাক জীয়াই জীয়াই জুইৰে পুৰি মাৰা। ইয়াত ইহঁতৰ লগাভগা আন যিহঁত আছে, সিহঁতকো ধৰা আৰু মাৰা। লগাভগাবোৰক লপা-

থপা মাৰিলেই মৰিব। চাবা, কোনো যাতে কেনিও পলাই সাৰিব নোৱাৰে। মোক যিহঁতে নুপূজিব, সিহঁতক মই সহ্য নকৰোঁ, জীয়াই থাকিবলৈকো নিদিওঁ। আৰু—মোক যিসকলে পূজিব, যিসকলে মোক সন্মান কৰিব, সিসকলক ময়ো সন্মান কৰিম, সুখে-শান্তিৰে জীয়াই থাকিবলৈ দিম। মোৰ বিৰুদ্ধবাদীহঁতক অতি নির্মমভাৱে খতম কৰা; জুইৰে পুৰি মাৰা, গাৰ ছাল বখলিয়াই পেলোৱা।"

তেতিয়া ঋষিগণ চিন্তাত পৰিল। বশিষ্ঠ, বাসুদেৱ- কপিল, কশ্যপ প্ৰমুখ ঋষিগণে এনেহেন বিপদৰপৰা মুক্তিৰ বাবে উপায় চিন্তা কৰি থাকিল।

ভাবি ভাবি তেওঁলোকে এই সিদ্ধান্তলৈ আহিল যে—একমাত্ৰ কৃষ্ণইহে এই সমস্যাৰ সমাধান কৰিব পাৰিব।

তাৰ পাছত তেওঁলোক কৃষ্ণৰ ওচৰলৈ বুলি ৰাওনা হ'ল।

নির্দিষ্ট সময়ত কৃষ্ণই তেওঁলোকক মাতি পঠালে। প্ৰদ্যুম্নই যথযোগ্য সন্মান তথা আদৰেৰে ঋষিবৃন্দক কৃষ্ণৰ ওচৰলৈ লৈ গ'ল।

ঋষিগণ কাষ চপাৰ লগে কৃষ্ণই তেওঁৰ উচ্চাসনৰপৰা নামি আহি ঋষিসকললৈ স্বাগত জনালে।

তাৰ পাছত ঋষিগণে নির্দিষ্ট আসনত উপবেশন কৰিলে। তেওঁলোক উপবেশন কৰাৰ পাছত কৃষ্ণই সকলো ঋষিলৈ কৰ-যোৰে নমস্কাৰ কৰি ক'লে, "আপোনা-লোকৰ শুভ সম্বাদ প্ৰদান কৰক। আপোনালোকৰ তপস্যা, যজ্ঞাদি ঠিকমতে চলি আছেনে? আপোনালোকক বৰ উদ্বিগ্ন যেন বোধ হৈছে। মোৰ দৰে নিঃকিনৰ ওচৰলৈ আপোনাসৱ অহাৰ হেতু কি জানিব পাৰোঁনে? আপোনা-লোকৰ সামান্যতম সেৱা কৰিব পাৰিলেও মই নিজক ধন্য মানিম।" [আগলৈ

কাকনো বুলিম ককা ?

জহৰ তৌ তৌৱা ৰ'দত গৈ থাকোঁতে পিয়াহত অণ্ঠ-কণ্ঠ শুকাই বাটৰুৱা এজনে এটা ঘৰৰ আগত ৰৈ চিঞৰি ক'লে, "অলপ খোৱা পানী দিবনে হেৰি— ?"

"অলপমান ৰ'বা, পূজা কৰি আছোঁ, সামৰি পানী লৈ আহিছোঁ।" গৃহস্থই ক'লে।

তৃষ্ণাৰ্ত বাটৰুৱাজন ঘৰৰ বাৰান্দাত ৰৈ থাকিল। অলপ সময়ৰ পাছত আৰতিৰ ঘণ্টা বজোৱাৰ শব্দ উঠিল। বহু সময় ধৰি ঘণ্টা বজোৱাৰ অন্তত ঘণ্টাৰ শব্দ আৰু নুশুনা হ'ল। কিন্তু খোৱাপানী কোনেও নানিলে।

"হে—এৰি! খোৱাপানী নিদিলে যে— ?" বাটৰুৱাই পুনৰ ক'লে।

"ৰ'বাহে, খালী নাৰায়ণ পূজাহে হ'ল, আন দেৱতাবোৰ মৰিলনে কি? ৰ'বা অলপ। অন্যান্য দেৱতালৈ পূজা আগ কৰোঁ, তাৰ পাছত তোমাক পানী-তুনি দিম।" গৃহস্থই পুনৰ ক'লে।

তাৰ পাছত বহুতোপৰলৈকে ঘণ্টা বাজি থাকিল···বাজিয়েই থাকিল। আৰু পিয়াহত গল-নল শুকাই খৰখৰীয়া মৰা বাটৰুৱাই পুনৰ চিঞৰি দিলে।

এইবাৰ গিৰিহঁ:তও গৰগৰাই উঠি ঘৰৰ ভিতৰৰপৰা ক'লে, "কৈছোঁ নহয়— পূজা-টুজা সামৰি-সুতৰি দিম পানী।"

বহু সময়ৰ পাছত পিয়াহত অস্থিৰ হৈ বাটৰুৱাজনে চীঁ চিয়াই ক'লে, "মই— মই পিয়াহতে মৰিলোঁ—হা!'

আৰু লগে লগে ভিতৰৰপৰা গিৰিহঁতেও কোমল মাতেৰে কৈ উঠিল, "ৰ'বাচুন, আৰু এটা দেৱতাৰ পূজাহে আছেগৈ।

অনন্ত খাৰঘৰীয়া

তাৰ পাছত তোমাক্ভালকৈ পানী খুৱাম।"

বাৰান্দাত এডাল লো-ধ কাঠি পৰি আছিল। বাটকৰাই সেই লোৰ কাঠিৰে ঘৰৰ আগত ইটোৰ পাছত সিটোকৈ গাঁত খান্দিবলৈ ধৰিলে।

তাৰ পাছত এবাৰ বিৰাট শৱদেৰে আৰতিৰ ঘণ্টা বাজিল। আৰু—

তাৰ পাছত গিৰিহঁত দুৱাৰ খুলি ওলাই আহি ইমানবোৰ গাঁত খন্দালৈ চাই অবাক হ'ল। বাটকৰাজনে গিৰিহঁতক ক'লে, "চাওক, পিয়াহঁত ইমানেই অস্থিৰ হৈ উঠিছিলোঁ যে—আপোনাৰ আৰতিৰ ঘণ্টা বজোৱাৰ লগে লগে এটাকৈ গাঁত খান্দি নিজক পিয়াহৰ অসহ কষ্টৰপৰা পাহৰাই ৰাখিছিলোঁ। আপোনাৰ ঘৰৰ সমুখত ইমানবোৰ গাঁত খান্দিলোঁ— বেয়া নেপাব দয়া কৰি।"

ভেবা লগা গিৰিহঁতে ক'লে, "এতিয়া আৰু ভাল পোৱা-বেয়া পোৱা এইবোৰ বেবেৰিবাং বকি লাভ কি? পিছে— মূৰ্খৰ দৰে ইমানবোৰ গাঁত নখন্দাকৈ এটা ডাঙৰ গাঁত খন্দাহেঁতেন এটা কুঁৱা খন্দা হ'লহেঁতেন। তেতিয়া তুমিও খোৱা পানী পালাহেঁতেন, ময়ো কুঁৱা এটা লভিলোহেঁতেন। বুৰ্বকৰ দৰে ইমানবোৰ গাঁত খান্দি তোমাৰ কি লাভ যে হ'ল— তুমিহে ক'ব পাৰিবা। পানীৰ কাৰণে এটা গাঁতেই দেখোন যথেষ্ট।"

"ময়ো তো তাকেই কওঁ। পানীৰ কাৰণে যেনেকৈ এটা গাঁতেই যথেষ্ট, পুণ্যৰ কাৰণেও দেখোন এজন দেৱতায়েই যথেষ্ট। আপুনিও দেখোন ইমানবোৰ দেৱতাক নুতুষি এজনকে তুষিলে ময়ো পিয়াহৰ পানীটোপা যেনেকৈ পালো-হেঁতেন, আপুনিও ইমান পাপৰ লপাথপা নাখাই পুণ্যৰ মোৰালাড়ু টোখালেহেঁতেন।"

এই বাটৰ বলিয়াটোৰ আ-কথা শুনি বক-ধাৰ্মিক গিৰিহঁতে বাদল জুৰিলে।

ঠগৰ গুৰু

বাগদাদ নগৰৰ ৰইচ [ধনী] বেপাৰী এজন বেপাৰ কৰিবলৈ পৰ্বতেৰে আগুৰা চহৰ এখনলৈ গৈ বাটৰুৱা এজনক সুধিলে যে ইয়াত কি বস্তুৰ চাহিদা বেছি। বাটৰুৱাই চন্দন কাঠৰ চাহিদা বেছি বুলি কোৱাত তেতিয়াই তেওঁ বাগদাদলৈ উভতি গৈ সমুদায় ধনেৰে চন্দনকাঠ কিনি সেই পৰ্বতেৰে আগুৰা ছৰাফং চহৰলৈ লৈ গ'ল।

কিন্তু—সেই চহৰত ঘুৰি-ফুৰি ক'তো-কেনিও চন্দন কাঠৰ চাহিদাৰ চিন-ছাবো নেদেখি বেপাৰী আৰাফত হতাশ হৈ চহৰৰপৰা ওলাই আহি বাটৰ এদাঁতিত বহি দিলে। তেতিয়া এগৰাকী বৃদ্ধাই আৰাফতক দেখি তাত ৰ'ল আৰু আৰাফতক ক'লে, "তুমি নিশ্চয় বিদেশী মানুহ। চাবা এই চহৰত কিন্তু ঠগবাজ বৰ বেছি।"

এই ছৰাফং চহৰখনৰ নিয়ম আছিল যে— গধূলিৰ পাছত কোনো এই চহৰলৈ সোমাবহি নোৱাৰিব। চহৰলৈ সোমোৱাৰ দুৱাৰ বন্ধ হৈ যাব। গতিকে—বেপাৰীহঁতো চহৰৰ বাহিৰতে ৰাতি খপিবলগীয়া হ'ল।

পাছদিনা পুনৰ চহৰলৈ সোমাই আহি চহৰৰ অধিবাসী এজনক সুধিলে, "জনাব, আপোনালোকৰ ইয়াত হেনো চন্দন কাঠৰ বহুত চাহিদা। হয়নে? খুব চৰা দামত বোলে ইয়াত চন্দনকাঠ বিকে?

"আপোনাক কোনে এনেবোৰ কথা কৈছে, ক'ব নোৱাৰোঁ। চন্দন কাঠ ইয়াত বেচা যায়, হয়, পিছে খৰিকাঠৰ দামতহে। কিয়নো, আমাৰ ইয়াত বহুতেই চন্দনকাঠেৰে ৰন্ধা-বঢ়া কৰে।"

আৰাফত যি চৰাইখানাত [খাজিখোৱা]

থাকিবলৈ লৈছিল, তাতো এই চন্দন-কাঠেৰে ৰন্ধা-বঢ়া কৰা দেখা পালে। এই দৃশ্য দেখা পাই বেপাৰী আৰাফত আমন-জিমন হৈ পৰিল। চন্দনকাঠ যিস্থলত খৰিকাঠ হিচাপে ব্যৱহাৰ কৰা হয়, তেনেস্থলতনো কি দাম পাব ?

এদিন কেইজনমানে বেপাৰীয়ে আৰা-ফতক সুধিলে, "আপুনি এই চন্দনকাঠ বাৰু বেচেনে কি ?"

"বেচিম তো হয়েই—। কিন্তু আপোনালোকে দামনো কিমান দিয়ে ?" আৰাফতে আশাৰে সুধিলে।

"দাম—" সেইকেইজন কিনোতাৰ মাজত এজনে ক'লে, "আপোনাৰ চন্দন-কাঠৰ যিমান ওজন হ'ব, সিমান ওজনৰ জোখে-জোখাৰে আপোনাক যি লাগে আমি তাকে দিম। —হ'ব ?"

তেতিয়া আৰাফতে গোটেইখিনি চন্দন কাঠ বেচি দিলে আৰু চন্দনকাঠ বেচা মুদ্ৰাখিনি লগত লৈ চহৰখন ঘূৰি পকি চাবলৈ ধৰিলে।

বাটত হঠাৎ এটা কণাই চিঞৰি আৰাফতক কৈ উঠিল, "হেইয়া—পালোঁ তোমাক। এইবাৰ আৰু নেৰিছোঁ। মোৰ চকু এটা কণা কৰি পেলাইছিলা, মনত আছেনে ? এইবাৰ তোমাৰ এদিন কি মোৰেই এদিন।"

অবাক হৈ পৰা আৰাফতে ক'লে, "মই তোমাক কস্মিনকালতো চিনি নাপাওঁ। মইনো তোমাক কণা কৰিলোঁ কেনেকৈহে ? আৰু—মোৰ লাভ কি ?"

চাওঁতে চাওঁতে বহু মানুহ তাত গোট খাই পৰিল। সিহঁতে বিদেশী মানুহ-জনক মাৰি ভৈয়াম কৰিবলৈ যো-জা কৰি থাকিল। আৰাফতে অবাবতে তৌবা তৌবা দেখিলে। কেইটামানে আৰাফতক গবা মাৰি ধৰিলেহি। কিন্তু আৰাফত সিহঁতৰ হাতৰপৰা কেনেবাকৈ ওলাই আহিব পৰা হ'ল।

এই হৈ-চৈ দৰৰা-দৰৰিত আৰাফতৰ জোতা এপাট ছিঙি গৈছিল। বাটৰ দাঁতিত বহা মুচিয়াৰ এটাক আৰাফতে ক'লে, "এই জোতাযোৰ ভালকৈ মেৰামতি কৰি দিয়াচোন।"

"কিমান দিব?" মুচিয়াৰে সুধিলে।

"হাৰে! কামৰ নামত অষ্টৰম্ভা, কিমানৰ কথা ক'ম বা! আগতে কাম কৰা, পাছত জোখে-জোখাৰেই দিয়া যাব বাৰু।" আৰাফতে ক'লে।

কিন্তু এপাট জোতা পিন্ধি তো চহৰ ফুৰিব নোৱাৰি। সেই দেখি আৰাফত অলপমান আগুৱাই গ'ল' আৰু এঠাইত জুৱাখেল চাবলৈ ৰ'লগৈ। বৈ বৈ চাই চাই এসময়ত আৰাফতে নিজেও জুৱাত ধৰিলে আৰু অলপ পাছত প্ৰায় সৰ্বস্বান্ত হ'ল। নিজৰ ওচৰত থকা ধনখিনি তো গ'লেই—তাত খেলি থকাইঁতৰ ওচৰত ধৰুৱাও হৈ পৰিল। এই চেং পিছলাইঁতৰ মাজত এজনে আৰাফতক ক'লে, "হয় সাগৰৰ আটাইখিনি পানী পি-খাব লাগিব, নহয় যদি—তোমাৰ বেবাক [সমস্ত] ধন আমাক দিব লাগিব।"

"এটা দিন মই ভাবি চাওঁ, তাৰ পাছত কি কৰিম ক'ম।" এই বুলি কৈ আৰাফতে তাৰপৰা খৰকৈ খোজ ল'লে।

আৰু অলপ পাছত সেই বৃদ্ধাৰ লগত আকৌ ভেটাভেটি হ'ল আৰাফতৰ। বৃদ্ধাই ক'লে, "তোমাৰ মুখখন শুকাই টেমী যেন হৈছেনো কিয়? কিবা হ'ল নিশ্চয় তোমাৰ। যিয়েই হৈছে-নহৈছে—মোক খুলি-মেলি কোৱাঁ।"

তেতিয়া আৰাফতে, তাৰ ভুলৰ তথা দুৰ্ভাগ্যৰ কাহিনী সেইজনী বৃদ্ধাক খুলি-মেলিয়েই ক'লে।

বৃদ্ধাই ক'লে, "এই কথা মই তোমাক অথনি কোৱা নাছিলোঁনে যে—এইখন চহৰত ঠগবাজৰ ৰাজত্ব। তোমাৰ চন্দন-কাঠৰ ওজনৰ জোখাৰে আচলতে—সোণহে



পাব লাগিছিল, কিন্তু এই ঠগবাজহঁতৰ কবলত পৰি তুমি ককবকাইছা। যা হওক, সেইবোৰ গ'ল ব'ল কথা। তুমি পোনে পোনেই পচিম দিশলৈ বুলি গৈ থাকা। গৈ গৈ এঠাইত অন্ধ পীৰ এজনক দেখা পাবা! পীৰ—কিন্তু সিয়েই আচলতে এই ঠগবাজহঁতৰ গুৰু। গধূলি চাপি অহাৰ লগে লগে ঠগবাজবোৰে এই পীৰৰ কাষ চাপিব আৰু সিহঁতৰ ঠগবাজিৰ কথা পীৰক ক'ব। গৈ থাকা, শুনি থাকা, কি কৰা কৰি থাকা।"

গৈ গৈ আৰাফতে পীৰৰ দেখা পোৱা হ'ল। সাঁজ লাগি ভগাৰ আগে আগে লগে লগে ঠগবাজহঁত সঁচাকৈয়েই পীৰৰ ওচৰলৈ আহি নিজ নিজ ঠগৰামিৰ কথা কোৱা হ'ল। এন্ধাৰৰ আঁৰ লৈ লুকাই থাকি আৰাফতেও সেইবোৰ কথা শুনা হ'ল।

বহুতেই সিহঁতৰ ঠগৰামিৰ কথা ঠাট্টুৰি মাৰি ক'লে, কোনো কোনোবাটোৱে ক'লে ঠাঠক-ঠিয়াঁৰে। পোতা পুখুৰীৰ ৰজাহেন পীৰে কোনো এটাক শলাগিলে, কোনোবাটোক ককথিলে, কোনোবাটোক আৰু ভালকৈ কাম কৰিবলৈ উদগালে।

এটা ঠগবাজে পীৰক ক'লে, "আজি এটা বিদেশী বেপাৰীক ঠগি পানীৰ দামত চন্দনকাঠ কিনিলোঁ।"

"কিমান দিলা?" পীৰে সুধিলে।

"মই তাক কৈছিলোঁ যে—চন্দন কাঠৰ ওজনৰ সমান যি খুজিব তাকে দিম।"

"তাৰে তোমাৰ লাভ হ'লনে বেপাৰীৰ?"

"কিনো কয় গুৰু? বেপাৰীটোৱে আনকি চন্দন কাঠৰ ওজনৰ সমান সোণ ল'ব বুলি ক'লেও মোৰ লাভেই লাভ হ'লহেঁতেন।" ঠগবাজটোৱে ক'লে।

"কিন্তু—সেই চন্দন কাঠখিনিৰ আধা-খিনি যদি মাইকী-কাঠ আৰু আধাখিনিয়েই যদি মতা-কাঠ হয়—তেতিয়া?" পীৰৰ এই কথা শুনি ঠগবাজটোৱে ঠৈমঠ খালে। কিয় যে এই কথা শুনি সি ঠৈমঠ খালে,

সেই কথা তাৰ মুখলৈ চাই ঠাৰৰ নহ'ল।

তাৰ পাছত আন এটা কণা ঠগবাজে পীৰক ক'লে, "পীৰ ছাহাব, মই আজি এটা বিদেশীক এশিকা দিলোঁ। মোৰ চকু এটা কণা কৰিলে বুলি তাক কৈ, চিঞৰি-বাখৰি ক'লোঁ যে হয় মোক বিছ হেজাৰ মুদ্ৰা দিব লাগিব, ন'হলে মই তাক কাজীৰ ওচৰ পোৱাম।"

পীৰে দমদমাই উঠি ক'লে, "তোমাৰ কথা সঁচা নহয়, সেই কথাটো যদি সেই বেপাৰী মানুহজন কাজীৰ আগত প্ৰমাণ কৰিব পাৰে, তেনেহ'লে দেখোন কাজীয়ে তোমাৰ আন চকুটোকো কণা কৰি দিবলৈ আদেশ দিব! তেতিয়া তোমাৰ কি হ'ব?"

পীৰৰ কথাত পদাপাল দেখি এই কণা ঠগবাজটো তৎক্ষণাৎ তাৰপৰা গুচি গ'ল।

তাৰ পাছত আহিল সেই মুচিয়াৰটো। সি পীৰক ক'লে, "আজি এটা বিদেশীয়ে মোক জোতা এপাট মেৰামতি কৰিবলৈ দিছিল। দৰ-দাম একো থাটাং হোৱা নাই তাৰ লগত। তাক মই জেপ-খালী কৰিহে এৰিম।"

"তুমি দেখিছোঁ একেবাৰে হেবাং, বুদ্ধি বোলা বস্তু দেখিছোঁ তোমাৰ নায়েই। বেপাৰীয়ে তোমাক কণা-মাকৰি এটাও নিদিয়ে। বেপাৰীয়ে আইনৰ পেঁচত পেলাই তোমাক জবাই কৰিব। আইনৰ বাহু অতি দীঘল, আৰু আইনে তাৰ আব্বাকো



[বাপেককো] শুদাই নেৰে, এই কথাটো তোমাৰ বাহিৰে ছবেই কিজানি জানে। বেপাৰীয়ে গোচৰ তৰিলে তোমাক ছুলতানৰ প্ৰহৰীহঁতে ধৰি লৈ যাব, আৰু বিচাৰৰ ফলত তোমাৰ দণ্ড তো হ'বই—আনকি কোতল [মৃত্যুদণ্ড] কৰা যে নহ'বই—সেই কথা ন-দি কোৱা নেযায়।"

তাৰ পাছত আহিল জুৱাৰীহঁত। এটাই ক'লে "পীৰ ছাহাব, আজি মই সেই বিদেশীটোক একেবাৰে নাস্তানাবুদ [নাকনি-কাননি] কৰিলোঁ, তাৰ কিজানি ফুটাকড়িও জেপত নাই। আৰু—সি আমাৰপৰা ধাৰ-ধুৰ কৰিলে। মই তাক কৈছোঁ যে—হয় সাগৰৰ আটাইখিনি পানী পি-খাব লাগিব, নহ'লে তাৰ ওচৰত যিখিনি ধন আছে আমাক দিব লাগিব।"

"বেপাৰীয়ে তোমাক একো নিদিয়ে। কিয়নো—তোমাৰ এই প্ৰস্তাৱ একেবাৰে অবাস্তৱ। বুৰ্বকৰ কথালৈ কোনেও সমৰ্থন নকৰিব, আৰু — বেপাৰীকহে ৰাইজে সমৰ্থন কৰিব। তেতিয়া কিজানি ৰাইজেই তোমাৰ পিঠি ফালিব।"

এইবোৰ কথা বিশদভাৱে শুনাৰ অন্তত আৰাফতে এইবোৰ ঠগবাজৰ লগত বেলেগ বেলেগভাৱে কথা পতাটোকে খাটাং কৰিলে। তাৰ পাছত আৰাফত এন্ধাৰৰ মাজেদিয়েই তাৰপৰা নোহোৱা হ'ল।

পাছদিনা, আৰাফতে ঠগবাজহঁতৰ লগত বেলেগে বেলেগে কথা পাতি থাকিল আৰু পীৰৰ কথা মনত পেলাই প্ৰতিটো ঠগৰ লগত বেলেগ বেলেগ ভাৱে আচৰণ কৰি থাকিল। কাৰোবাক মৰম কৰি সেও কৰিলে, কাৰোবাক ডাবি-হুঁকি মাৰিলে, আৰু জুৱাৰীহঁতক ভয় খুৱাই হেৰোৱা মুদ্ৰাখিনি আদায় কৰি, বৃদ্ধাক বিচাৰি উলিয়াই এহেজাৰ মুদ্ৰা দি, বাগদাদৰ মানুহ পুনৰ বাগদাদলৈ বুলি ৰাওনা কৰিলে।

পাহৰা ধানৰ ভাত

দুখীৰো দুখী হিচাপে জমিদাৰৰপৰা পোৱা মাটি নাঙলেৰে চহিবলৈ ধৰোঁতে নাঙলৰ সীৰলুত কিহবাৰ খুন্দা খাই ঘটংকৈ শব্দ উঠিল আৰু হালোৱা হৰিনাথৰো চক ছুটিল। মাটি খান্দি হৰিনাথে মাটিৰ তলত কলহ কেইটামান দেখা পাই উলিয়াই আনিলে আৰু অটাইবোৰ কলহতে সোণৰ মুদ্ৰা দেখি বিতূৰ্তি খালে।

হালোৱা হৰিনাথে ভাবিলেঃ কলহ-বোৰ ঘৰলৈ লৈ যাওঁতে কোনোবাই দেখা পালেই মৰিলোঁ। এই ইমানখিনি সোণেৰে মোৰ জীৱন ভালে-কুশলেই কাটিব। কিন্তু কেনেবাকৈ জমিদাৰে গম পালে হৈছে। আটাইবোৰ জমিদাৰেই লৈ যাব।

বহুপৰলৈকে গুণা-গঁথা কৰি হৰিনাথে মতলব এটা পাঙিলে। সাঁজ লাগি ভগাৰ পাছত সি কেইটামান মাছ আৰু কুকুৰা এটা কিনিলে আৰু কুকুৰাটোক ঘৰৰ পিছ-দুৱাৰত বান্ধি থ'লে।

শুদা হাতে সোমাই অহা দেখি ঘৈণীয়েক মাকুলে মকমকালে, "এ—এঃ, আহিব শুদাহতীয়াটো হৈ। মইনো হাত-ভৰি পুৰি ৰান্ধিমনে?"

"এনেকৈ চিঞৰি নাথাকিবা। মই পিছ দুৱাৰত ফান্দ পাতিছোঁ, কিবা এটা চৰাই-টৰাই ফান্দত নপৰাকৈ নাথাকে। আৰু ডোবাত পাতিছোঁ জাল। এই জালতো মাছ নিশ্চয় পৰিব। ৰ'বা, চাই আহোঁগৈ এবাৰ।" হৰিনাথ হালোৱাই ক'লে।

তাৰ পাছত হৰিনাথে মাকুলকো লৈ গ'ল। গৈ ডোবাৰ জালত মাছ আৰু চৰাই ধৰা যতনত কুকুৰা এটা দেখা পাই

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

মাকুলে কৈ উঠিল, "কেনে আচৰিত কাণ্ড!

আৰু তেতিয়াহে হৰিনাথে ফুচফুচীয়া মাতেৰে সোণৰ কলহৰ ভেদ ভাঙিলে।

আৰু তাৰ পাছত দুয়ো ৰাওণা হ'ল কলহবোৰ কঢ়িয়াই আনিবলৈ। হঠাৎ হৰিনাথে তাৰ ঘৈণীয়েকৰ মূৰৰ ওপৰত কেইটোপালমান পানী পেলালে।

ঘৈণীয়েক মাকুলে আচৰিত হৈ কৈ উঠিল, "আকাশ দেখোন জলমলীয়া, বৰষুণনো কেনেকৈ দিয়ে?"

"মেঘ নথকাকৈ বৰষুণ হ'লে সেই বৰষুণক তেজ-বৰষুণ বুলি কোৱা হয়। এয়া তেজ-বৰষুণ।" হৰিনাথে ক'লে।

তাৰ পাছত দুয়ো মাটিৰ তলৰপৰা কলহবোৰ উলিয়াই লৈ যেতিয়া ঘৰলৈ গৈ আছিল, তেতিয়া, জমিদাৰৰ ঘৰৰ পিছফালৰপৰা গৈ থাকোঁতে গৰুবিলাকে হেম্বেলিয়াই উঠিল। হালোৱানীয়ে হৰিনাথক সুধিলে, ইমান দুপৰ ৰাতি—গৰুবোৰে হেম্বে-লিয়াইছে কিয়?

হৰিনাথে ক'লে, "এইবোৰ বৰ ডাঙৰ কথা নহয়। জমিদাৰক ভূতে নিলে বুলিহে দুখতে গৰুবিলাকেও হেম্বেলিয়াইছে।"

ঘৰ পাই সোণৰ কলহবোৰ এঠাইত পুতি দুয়ো মাৰিলেগৈ টোপনি। হালোৱানী টোপনিত লাল-কাল দিয়াৰ পাছত হৰিনাথ হাতত সাৰে ভৰিত সাৰে উঠিল, দুৱাৰ খুলি ওলাল, আৰু কলহবোৰ আন এঠাইত পুতি থ'লেগৈ।

ৰাতি পুউৱাৰ পাছত হালোৱনীয়ে হালোৱাক ক'লে, "মোক কিন্তু কেইপদমান গহনা লাগিব, আৰু তিনিখন সাড়ী।"

"তোমাৰ বাৰু মাথা খাৰাপ হ'লনে? আমি যদি এতিয়াই এইবোৰ বৰলোকালি কৰি থাকোঁ—আমাৰ বৰলোকালিৰ গুপুত কথা ওলাই পৰিব দেখোন!"

পাছদিনা হালোৱানীয়ে কুঁৱালৈ পানী আনিবলৈ গৈ চুবুৰীয়া তিৰোতা এজনীক ইকথা-সিকথাৰ মাজত ক'লে, "আৰু

আমাৰ তেওঁৰ কথা নকৰা। ইমান যে কিপ্পিণটো—আগতে গম পোৱাহেঁতেন ইয়াত বান্দী খাটিবলৈ নাহিলোহেঁতেন।”

চুবুৰীয়া তিৰোতাজনীয়ে সুধিলে, “কি হ'লনো?”

“তুমি বাইদেউ কাকো নোকোৱা যেন,—তুমি কাৰণেহে কৈছোঁ। আমি আমাৰ খেতিমাটিৰ তলৰপৰা সোণৰ মুদ্ৰাৰে ঠাহ খোৱা কলহ কেটামান পালোঁ নহয়—? মই ক'লোঁ—বোলে—আমি এতিয়া বৰলোক হ'লোঁ, মোক কেপদমান গহনা লাগে, তিনিখন সাড়ী লাগে। কিবা অনিয়ায় কথা কৈছিলোঁনে বাৰু? নিদিলে মোক একো।” হালোৱানীয়ে চুবুৰীয়া তিৰোতাজনীক কৈ গ'ল।

আৰু কথাবোৰ চাওঁতে চাওঁতে গাঁৱৰ ল'ৰা-বুঢ়া সকলোটিয়েই জানি গ'ল। জানি গ'ল সোণৰ কলহৰ কাহিনী। আৰু—এনে আচৰিত কথাটো জমিদাৰেও নজনাকৈ নাথাকিল।

জানি—জমিদাৰ ঢপলিয়াই আহিল দুখীৰো দুখী হালোৱা হৰিনাথৰ ঘৰলৈ। তেওঁ খঙতে একো নাই হৈ ক'লে, “বোলোঁ ঐ কটাটো হাৰামৰ নেগুৰটো, মোৰেই মাটিত সোণৰ কলহ পালি, আৰু মোকেইনো তই এবাৰলৈকো নক'লিনে? তোৰ বুকুত ইমানেই সাহস হ'লনে—চৈতানে তোত বাহ ল'লনে?”

হালোৱা হৰনাথে অলপো বিচলিত নহৈ জমিদাৰক ক'লে, "আপুনি যে কোন কলহৰ কি কথা কৈছে, মই দেখোন একোকে ধৰিব পৰা নাই। সোণৰ কলহ—কথাটোৰ মানে কি?"

জমিদাৰে খঙতে দমদমাই উঠি ক'লে, "আকৌ মোকেই ঘূৰাই সুধিছানে? যি কথা গোটেই গাঁৱৰ মানুহে জানি, আন দহখন গাঁৱতো পানী পানীকৈ ক'লেগৈ—এতিয়া মোকেই ঘূৰাই সুধিছা?"

হালোৱানী হালোৱাৰ ওচৰতে থিয় হৈ আছিল হালোৱা হৰনাথে তাৰ ঘৈণীয়েকলৈ খঙাল চকুৰে চালে। তেতিয়া হালোৱানীয়ে কৈ উঠিল, "কিয়নো মোৰ পিনে তেনেকৈ চাই আছা? কালি ৰাতি তুমিয়ে-ময়ে সোণৰ মুদ্ৰাৰে ঠাহ খোৱা কলহকেটা কঢ়িয়াই অনা নাছিলোঁনে?

"কিনো বেবেৰিবাং বকিছ অ' মাকুল?" হৰিনাথে একো নজনাৰ ভাও দিলে।

"ই ঈ—হু! মোক পাহৰা ধানৰ ভাত খোৱাজনা বুলি ভাবিছানে কি? আমাৰ ডোবাৰপৰা যিদিনা মাছ ধৰা হ'ল, ফান্দ পাতি যিদিনা কুকুৰা এজনী ধৰিলা, সেই নিশা সোণৰ কলহবোৰ আনি পুতি নথৈছিলোঁনে?" হালোৱানীয়ে ক'লে।

তাইৰ কথা শুনি তাত গোট খাই থকা লোকসকলে গিৰ্জনি মাৰি হাঁহি উঠিল।

"ইমান হাঁহিলবগীয়া কিনো হ'ল? মই সাঁচে-কাটে সঁচাবোৰকে কৈছোঁ। তেজ-বৰষুণ দিছিল, জমিদাৰ ডাঙৰীয়াক ভূতে ধৰি লৈ যোৱাত তেওঁৰ গৰুবিলাকে তুখতে হেম্বেলিয়াইছিল—কত কি যে নহৈছিল।" হালোৱানীয়ে ক'লে।

"অ'—এতিয়াহে বুজিলোঁ, মিছাৰেই যুঁজিলোঁ।" জমিদাৰ হালোৱানীক ক'লে, "তুমি যে পাহৰা ধানৰ ভাত খোৱা পাগলী, এতিয়াহে গমিলোঁ।" এই বুলি কৈয়েই জমিদাৰ তাৰপৰা গুচি গ'ল।

মাছটো সঁচাসঁচিকৈ উড়ন্ত নহয়। পিছে—এই মাছৰ বুকুত দুখন সৰু সৰু ডেউকাৰ নিচিনা বাজু আছে, আৰু ফিছাৰে ঠেলা মাৰি সেই ডেউকাৰ সহায়ত পানীৰ ওপৰেদি ১২-১৪ ছেকণ্ডলৈ উৰি বা শূন্যলৈ জঁাপ মাৰি পুনৰ পানীত জপংকৈ পৰিবহি পাৰে।

কালিফ'র্নিয়াত কোষ্ট ৰেড উড [ছিক' পেম্পৰ বিৰেন্স] নামৰ এবিধ গছ খৰ-বাঢ়নে বাঢ়ে। কেতিয়াবা এইবোৰ গছ ৩৬৭'৮ ফুটলৈকো ওখ হয়।



বয়সৰ বুন্দুৰী নহয়, বয়সৰ কাছ!

কোৱা হয় যে—কাছৰ হেনো মৰণ নাই। যি কি নহওক, কাছ ১৬০ বছৰলৈকো জীয়াই থকাৰ প্ৰমাণ আছে; যদিও কাছৰ গড় বয়স ১১৬ বছৰ।

প্ৰতিকে’ মৰমৰ এই উপহাৰ
দিয়েনে কি ভাবি চাওক
প্ৰবাসৰা হৈ থকা আপোনাৰ
চেনেহৰজনে পাওক

চান্দমামা

তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক

অসমীয়া, বাংলা, ইংলিছ, গুজৰাটি, হিন্দী, কন্নড়, মালায়ালম্,
মৰাঠী, ওড়িয়া, সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক

বছৰেকীয়া বৰঙণি :

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৭৫·০০ টকা * উৰা-জাহাজ যোগে ১৫০·০০ টকা

ফ্ৰান্স, ছিংগাপুৰ, ইংলেণ্ড, আমেৰিকা, পশ্চিম
জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮১·০০ টকা * উৰা-জাহাজ যোগে ১৫০·০০ টকা

টকা-পইচা
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ
কেৱল ডিমাণ্ড ড্ৰাফট নাইবা মনিঅৰ্ডাৰ যোগে তলৰ ঠিকনালৈ পঠাব :

ছাকুলেশ্যন মেনেজাৰ
চান্দমামা পাবলিকেশ্যনছ
চান্দমামা বিল্ডিংছ
বড়াপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৯ চনৰ জুলাই সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৯ চনৰ মে' মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৯ চনৰ মাৰ্চ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : দেখন-দৰ্পণ দ্বিতীয় ফটো : কাঁচৰ কাচন

পুৰস্কাৰ প্ৰাপক : ধৰ্মেশ্বৰ চক্ৰৱৰ্তী, ৰামদিয়া, কামৰূপ।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোঁ

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI,
MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

In your APRIL issue of ...

JUNIOR QUEST

Where finding out is fun

Price : Rs. 5

RUSH! FOR YOUR COPY.

Every child's best friend

A Chandamama Vijaya Combines publication

লোভনীয়
আমৰ ফ্ৰুট বাৰ
কৰা হ'ল
Gautam Goswami
15.5.89
সজীৱতা
অক্ষুণ্ণ থকাকৈ
পেক কৰা
nutrine
Naturo
MANGO FRUIT BAR
nutrine
Naturo
MANGO FRUIT BAR
এতিয়া, আমৰ বতৰ
বছৰটোত বাৰ মাহেই।
ইমান সুবিধা...ইমান সোৱাদ!
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets